
# অন্বেষণ

ষষ্ঠ বছৰ ■ ষষ্ঠ সংখ্যা ■ জুলাই, ২০১৯

## বিয়েৰ গ্ৰীলছ

## ভাৰতবৰ্ষৰ ৰপ্তানি ব্যৱস্থা

## ডº এ পি জে আব্দুল কালাম




কাছ্


প্রবাল

# অন্বেষণ

**ষষ্ঠ বছৰ, ষষ্ঠ সংখ্যা, জুলাই, ২০১৯ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰদ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ড° এ পি জে আব্দুল কালাম—বিজ্ঞানীজন**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১০ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১১ **চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **ভাৰতবৰ্ষৰ ৰপ্তানি ব্যৱস্থা**
■ মন্দিৰা শৰ্মা

১৯ **কুইজ**
■ হিৰণ্য কলিতা

২০ **চুড’কু**

২১ **বিয়েৰ গ্ৰীলছ**
■ বনালী বৰুৱা কাশ্যপ

২৩ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৪ **গিৰীশ কাৰ্ণাড : এটা যুগৰ অৱসান**
■ অপৰ্ণা দেৱী

২৫ **ওৰহান পামুক**
■ গোপেন বৰ্মন

২৭ **দক্ষিণ কামৰূপৰ ৰাভাসকলৰ চমু আভাস**
■ ৰঘুনাথ কুমাৰ

২৮ **চেংগিজ খাঁৰ সমাধিস্থলী—আজিও এক ৰহস্য**
■ জাহ্নৱী বৰুৱা

২৯ **ফ’ল্ডস্ক’প মাইক্ৰ’স্ক’প**
■ সুজিৎ কুমাৰ নেওগ

৩০ **কাজু বাদামৰ কথা**
■ ডলী চৌধুৰী

৩১ **পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা**


৩২ **কামি ৰিতা**
■ পল্লৱী গোস্বামী

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, দীপক কোচ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : প্ৰকাশ দত্ত
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।*

# ড° এ পি জে আব্দুল কালাম-বিজ্ঞানীজন

■ অভিজিত শৰ্মা বৰুৱা



যিসকল ভাৰতীয়ই নিজৰ সামৰ্থ, অপৰিসীম নিষ্ঠা আৰু পৰিশ্ৰমেৰে নিজৰ লগতে ভাৰতৰ নামো উজলাবলৈ সক্ষম হৈছে, সেইসকল বিৰল ভাৰতীয়ৰ মাজত এ পি জে আব্দুল কালামৰ নামটো প্ৰথম শাৰীতে পৰে। ভাৰতৰ প্ৰখ্যাত বিজ্ঞানী, 'মিছাইল-মেন' হিচাপে খ্যাত, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালামক যথাৰ্থভাৱেই ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন আগবঢ়োৱা হৈছে।

এ পি জে আব্দুল কালামৰ সম্পূৰ্ণ নাম হ'ল আভুল পকিৰ জয়নুলাবদীন আব্দুল কালাম (Avul Pakir Jainulabdeen Abdul Kalam)। ১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে ৰামেশ্বৰমত তেওঁৰ জন্ম হৈছিল আৰু মৃত্যু হৈছিল ২০১৫ চনৰ ২৭ জুলাইত শ্বিলঙত।

ৰামেশ্বৰমতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা কালামে পাছত ৰামনাথপুৰৰ শ্বাৰ্টজ স্কুলত পঢ়ে। তাৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কালামে ত্ৰিচীৰ 'ছেণ্ট যোছেফ' কলেজত নাম লগায়। ১৯৫৪ চনত কালামে ছেণ্ট যোছেফ'ছ কলেজৰপৰা বি এছ চি ডিগ্ৰী অৰ্জন কৰে। তাৰ পাছত তেওঁ 'মাদ্ৰাজ ইন্সটিটিউট অফ টেকনল'জি'ত (এম আই টি) পঢ়িবলৈ লয়।

## বিজ্ঞানীৰ দিশলৈ

এম আই টিৰপৰা স্নাতক হৈ ওলোৱাৰ পাছত কালামৰ সমুখত কেবাঠাইতো নিযুক্তিৰ সুবিধা ওলাল। কালামে দিল্লীৰ 'ডাইৰেক্টৰেট অব টেকনিকেল ডেভেলপমেণ্ট এণ্ড প্ৰডাকছন'ৰ (Directorate of Technical Development and Production) এয়াৰ'ৰ টেকনিকেল চেণ্টাৰত (চিভিল এভিয়েছন) ছিনিয়ৰ ছায়েণ্টিফিক এছিষ্টেণ্ট হিচাপে যোগদান কৰিলে। তাত তেওঁৰ মূল দৰমহা হ'ল মাহেকত দুশ পঞ্চাছ টকা। তাত কালামক শব্দতকৈও দ্ৰুতগতিসম্পন্ন এখন বিমানৰ আৰ্হি তৈয়াৰ কৰাৰ দায়িত্ব দিয়া হ'ল। আৰ বৰদাৰাজন নামৰ এজন জ্যেষ্ঠ বিষয়াৰ সহায়ত কালামে এই আৰ্হি প্ৰস্তুত কৰি উলিয়ালে।

ইয়াৰ পাছত তেওঁক উক্ত প্ৰতিষ্ঠানে আৰম্ভ কৰা 'ডাৰ্ট' প্ৰকল্পৰ দলত অন্তৰ্ভুক্ত কৰা হ'ল। সেই কাম শেষ হোৱাৰ পাছত কালাম 'হিউমেন চেণ্ট্ৰিফিউজ' ভাৰ্টিকেল টেক অফ আৰু লেণ্ডিং প্লেটফৰ্ম'ৰ ডিজাইন', 'হট ককপিট', আদি প্ৰকল্পৰ লগত জড়িত হৈ পৰিল। তেনেকৈয়ে তিনিটা বছৰ পাৰ হৈ গ'ল।

## দেশীয় প্ৰযুক্তিৰে প্ৰথম হোভাৰক্ৰাফট

সেই সময়তে বাংগালুৰুত 'এৰ'নটিকেল ডেভেলপমেণ্ট এছটাব্লিছমেণ্ট' (এ ডি ই) নামৰ এক প্ৰতিষ্ঠান নতুনকৈ খোলা হ'ল আৰু কালামক তাত নিযুক্তি দিয়া হ'ল। প্ৰাথমিক অধ্যয়নৰ পাছত তাত এটা নতুন প্ৰকল্প লোৱা হ'ল। সেয়া হ'ল দেশীয় প্ৰযুক্তিৰে 'গ্ৰাউণ্ড ইকুইপমেণ্ট মেচিন' হিচাপে এক 'হোভাৰ ক্ৰাফট' ডিজাইন কৰা আৰু তাক নিৰ্মাণ কৰা। এ ডি ইত বিজ্ঞানী প্ৰযুক্তিবিদৰ সংখ্যা তেনেই কম আছিল বাবে এই কামৰ বাবে মাত্ৰ চাৰিজন বিজ্ঞানীৰে এটা দল গঠন কৰা হ'ল। এই দলটোৰ নেতৃত্ব দিবলৈ নিৰ্বাচিত

কৰা হ'ল কালামক। কালামৰ দলৰ বাবে ই নিঃসন্দেহে বৃহৎ আৰু প্ৰত্যাহ্বানমূলক কাম আছিল। দলটোৰ কাৰো আগতে এনে কাম কৰাৰ অভিজ্ঞতা নাছিল। তেওঁলোকে প্ৰথমতে হোভাৰক্ৰাফট সম্পৰ্কত যথেষ্ট পঢ়া-শুনা কৰিলে। তাৰ পাছত কামত আগবাঢ়িল। তেওঁলোকৰ প্ৰতিভা, উদ্ভাৱনী শক্তি, নিষ্ঠা আৰু পৰিশ্ৰমৰ ফলশ্ৰুতিৰূপে হোভাৰক্ৰাফটখনে ক্ৰমে এক বাস্তৱ ৰূপ ল'লে। শিৱৰ বাহন নন্দীৰ নামেৰে সেই হোভাৰক্ৰাফটখনৰ নাম নন্দী ৰখা হ'ল। দেখাত ই ধুনীয়া নহ'ল ঠিকেই, কিন্তু কাম ঠিকমতেই কৰিলে।

## ৰকেট উৎক্ষেপণৰ ক্ষেত্ৰত

এই সফল প্ৰজেক্টটোৰ পাছত কালামে 'ইণ্ডিয়ান কমিটি ফৰ স্পেচ ৰিছাৰ্চ'ৰ (এতিয়াৰ ইছৰো) ৰকেট ইঞ্জিনিয়াৰৰ পদত নিযুক্তি পালে। ১৯৬২ চনৰ দ্বিতীয়াৰ্ধত ইছৰোৱে কেৰালাৰ ত্ৰিবান্দ্ৰমৰ (এতিয়াৰ থিৰুৱনন্তপুৰম) ওচৰৰ থুম্বা নামৰ এখন গাঁৱত এটা ৰকেট উৎক্ষেপণ কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত ল'লে। চৰকাৰী বিষয়াসকলৰ সহযোগিতাত যথেষ্ট সংখ্যক লোকক স্থানান্তৰ কৰি তাৰ বাবে মাটি যোগাৰ কৰা হ'ল আৰু এই কেন্দ্ৰটো স্থাপন কৰা হ'ল।

তাৰ কিছুদিন পাছতে আব্দুল কালামক আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান নাছালৈ ৰকেট উৎক্ষেপণ কৌশল সম্পৰ্কীয় এক ছমহীয়া প্ৰশিক্ষণৰ বাবে পঠিওৱা হ'ল। তেওঁ ঘূৰি অহাৰ ঠিক পাছতে ১৯৬৩ চনৰ ২১ নৱেম্বৰত ভাৰতৰপৰা প্ৰথমবাৰৰ বাবে এটা ৰকেট উৎক্ষেপণ কৰা হ'ল। সেই ৰকেটটো অৱশ্যে নাছাত নিৰ্মাণ কৰা হৈছিল আৰু থুম্বাত নিৰ্মিত ৰকেট উৎক্ষেপণ কেন্দ্ৰৰপৰা সেইটো উৎক্ষেপণ কৰা হৈছিল।

থুম্বাত কালাম ৰকেট তৈয়াৰ সম্বন্ধীয় কাম-কাজত জড়িত হৈ পৰিছিল। থুম্বাত দুটা ভাৰতীয় ৰকেট নিৰ্মাণ কৰা হ'ল। সেই দুটা ৰকেটৰ নাম ৰোহিণী আৰু মেনকা ৰখা হ'ল। ১৯৬৭ চনৰ ২০ নৱেম্বৰত থুম্বাৰপৰা ৰোহিণীক উৎক্ষেপণ কৰা হ'ল। ৰোহিণী ৰকেটৰ উৎক্ষেপণৰ যোগেদি ভাৰতৰ মহাকাশ কাৰ্যক্ৰম আৰম্ভ হ'ল আৰু ভাৰতে যে নিজৰ সামৰ্থ্যেৰে মহাকাশ অভিযানৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হ'ব পাৰে সেয়া প্ৰতীয়মান হৈ উঠিল।

ৰকেট উৎক্ষেপণৰ সফলতাৰ পাছত তৰুণ ভাৰতীয় বিজ্ঞানীসকলক লৈ এক ভাৰতীয় উপগ্ৰহ প্ৰক্ষেপণ যান (ছেটেলাইট লঞ্চ ভেহিকল, এছ এল ভি) নিৰ্মাণ কৰাৰ পৰিকল্পনা হাতত লোৱা হ'ল। কালামক এছ এল ভিৰ প্ৰজেক্ট মেনেজাৰ বা প্ৰকল্প সঞ্চালকৰ দায়িত্ব দিয়া হ'ল। কালামে এই দায়িত্ব লৈ বিভিন্ন বিভাগৰ মাজত সমন্বয় স্থাপন কৰিলে আৰু কাম আগবঢ়াই নিলে।

১৯৭৯ চনৰ ১০ আগষ্টৰ দিনা এছ এল ভি-৩ৰ প্ৰথম পৰীক্ষামূলক উৰণ সম্পন্ন কৰিবলৈ লোৱা হ'ল। ৰাতিপুৱা সাত বাজি আঠাৰন ছেকেণ্ডত ২৪ মিটাৰ দৈৰ্ঘ্যৰ আৰু ১৯টন ওজন বিশিষ্ট চাৰিটা পৰ্যায়ৰ এছ এল ভি-৩ ৰকেটটোৱে নিৰ্ধাৰিত প্ৰক্ষেপণ পথত যাত্ৰা আৰম্ভ কৰিলে। প্ৰথম পৰ্যায়ত ই সফলতাৰে কাম কৰিলে। দ্বিতীয় পৰ্যায়ৰ কামো সুকলমে আগবাঢ়িল। তাৰ পাছতে হঠাতে ই নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'ল। ৩১৭ ছেকেণ্ডৰ পাছত তাৰ উৰণ বন্ধ হৈ গ'ল আৰু যানখনৰ অৱশিষ্ট অংশবোৰে চতুৰ্থ পৰ্যায়টোৰ সৈতে শ্ৰীহৰিকোটাৰপৰা ৫৬০ কিল'মিটাৰ দূৰৰ সাগৰত পৰিলগৈ।

এছ এল ভি-৩ আচলতে কি ত্ৰুটি থাকি গৈছিল, সেয়া বিশ্লেষণ কৰি তাক দূৰ কৰাৰ কাম সমাপ্ত হ'ল— ১৯৮০ চনৰ জুনত। ১৮ জুলাইৰ ৰাতিপুৱা আঠ বাজি তিনি মিনিটত ভাৰতৰ উপগ্ৰহ উৎক্ষেপক যান এছ এল ভি-৩য়ে ৰোহিণী উপগ্ৰহক বুকুত লৈ শ্ৰীহৰিকোটা ৰকেট প্ৰক্ষেপণ কেন্দ্ৰৰপৰা আকাশলৈ উঠি গ'ল। প্ৰথম পৰ্যায় পাৰ হ'ল, দ্বিতীয় পৰ্যায় পাৰ হ'ল, তৃতীয় পৰ্যায়ো সফলতাৰে পাৰ হ'ল। একো অঘটন নঘটিল। তাৰ পাছত চতুৰ্থ পৰ্যায়ৰ এপাজী (apogee) মটৰে ৰোহিণী উপগ্ৰহক সফলতাৰে তাৰ কক্ষপথত স্থাপন কৰিলে। ভাৰতৰ বাবে এটা গুৰুত্বপূৰ্ণ প্ৰযুক্তিগত কাম সম্পাদিত হ'ল।

## মিছাইল-মেনৰ ৰূপত

এছ এল ভি-৩ৰ উৎক্ষেপণৰ পাছত কালামে তাৰ প্ৰকল্প সঞ্চালক পদৰপৰা অব্যাহতি ল'লে। এইবাৰ তেওঁক 'এৰ'স্পেচ ডাইনামিক্স আৰু ডিজাইনাৰ গ্ৰুপ'ৰ সঞ্চালক পদত নিযুক্তি দিয়া হ'ল। তাৰ পাছত ১৯৮২ চনত আব্দুল কালামক 'ডিফেন্স ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট লেবৰেটৰী'ত (ডি আৰ ডি এল) নিযুক্তি দিয়া হ'ল। কালাম যোৱাৰ আগতেই ডি আৰ ডি এলত ভূপৃষ্ঠৰপৰা ভূপৃষ্ঠত আঘাত হানিব পৰা ক্ষেপণাস্ত্ৰৰ ওপৰত বহুতো আশাপ্ৰদ কাম কৰা হৈছিল। কালামে এই ক্ষেত্ৰত নতুন কিছু প্ৰযুক্তি ব্যৱহাৰ কৰাৰ কথা ভাবিলে, যাতে ই লক্ষ্যবস্তুত একেবাৰে সঠিকভাৱে আঘাত হানিব পাৰে। এনে পদ্ধতিৰ বিকাশৰ বাবে তেওঁ ইণ্ডিয়ান ইন্সটিটিউট অব ছায়েন্স, ইণ্ডিয়ান ইন্সটিটিউট অব টেকনলজি, কাউন্সিল ফৰ ছায়েণ্টিফিক এণ্ড ইণ্ড্ৰাষ্ট্ৰিয়েল ৰিছাৰ্চ, টাটা ইন্সটিটিউট অব ফাণ্ডামেণ্টেল ৰিছাৰ্চ আৰু বিভিন্ন শিক্ষানুষ্ঠানৰপৰা বিশেষ অৰ্হতাসম্পন্ন লোকক আমন্ত্ৰণ কৰি আনিলে।

কালামে আগভাগ লৈ ডি আৰ ডি এলত 'গাইডেড মিছাইল ডেভেলপমেণ্ট প্ৰগ্ৰেম'ৰ জন্ম দিলে। দেশীয় ক্ষেপণাস্ত্ৰ নিৰ্মাণ কৰাৰ বাবে এখন সমিতি গঠন কৰা হ'ল। তাৰ অধ্যক্ষ হ'ল কালাম নিজে। চৰকাৰে সেই পৰিকল্পনা ৰূপায়ণৰ বাবে ৩৮৮ কোটি টকা মঞ্জুৰ কৰিলে। সেই প্ৰকল্পৰ অধীনত কেবাধৰণৰো মিছাইল নিৰ্মাণ কৰাৰ আঁচনি গ্ৰহণ কৰা হ'ল। সেই অনুসৰি ভূপৃষ্ঠৰপৰা ভূপৃষ্ঠলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰৰ নাম ৰখা হ'ল পৃথ্বী (পৃথিৱী), 'টেকটিকেল ক'ৰ ভেহিকল' মিছাইলৰ নাম ৰখা হ'ল 'ত্ৰিশূল', ভূপৃষ্ঠৰপৰা অন্তৰীক্ষলৈ নিক্ষেপ কৰিব পৰা মিছাইলৰ নাম দিয়া হ'ল 'আকাশ' আৰু টেংক আক্ৰমণ কৰিব পৰা মিছাইলবিধৰ নাম 'নাগ' ৰখা হ'ল। তদুপৰি কালামৰ স্বপ্নৰ ৰেক্স (মধ্যম দূৰত্ব অতিক্ৰম কৰিব পৰা এবিধ মিছাইল) মিছাইলৰ নাম ৰখা হ'ল 'অগ্নি'।

মিছাইল কাৰ্যক্ৰমৰ প্ৰথম প্ৰক্ষেপণ ১৯৮৫ চনৰ ১৬ ছেপ্টেম্বৰত ধাৰ্য কৰা হৈছিল। সেইদিনা শ্ৰীহৰিকোটাৰ টেষ্ট ৰেঞ্জৰপৰা 'ত্ৰিশূল' মিছাইল উৎক্ষেপণ কৰা হ'ল। ১৯৮৮ চনৰ ২৫ ফেব্ৰুৱাৰিত পৃথ্বীক মহাকাশলৈ প্ৰক্ষেপ কৰা হ'ল। অগ্নিক নিক্ষেপণ কৰা হ'ল ১৯৮৯ চনৰ ২২ মে'ত। অগ্নিৰ পৰৱৰ্তী মিছাইল 'নাগ' আৰু 'আকাশ'ৰ উৎক্ষেপণো সফল হ'ল। এই মিছাইলবোৰৰ উৎক্ষেপণে ভাৰতক এনে এক স্থানলৈ লৈ গ'ল, য'ত আনকি আন্তৰ্জাতিক প্ৰতিদ্বন্দ্বীও নাই। তাৰ সিংহভাগ কৃতিত্ব আছিল কালামৰ।

ইয়াৰ পাছত কালামৰ জীৱনত বহু ঘটনাই ঘটিল আৰু ঘটনাক্ৰমে তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতিও হ'লগৈ। তথাপি সেই বিজ্ঞানী কালামজনক আমি কোনোকালেই পাহৰিব নোৱাৰিম। ❖

**টোকা :** *এ পি জে আব্দুল কালামৰ মৃত্যু দিৱসৰ (২৭ জুলাই) লগত সংগতি ৰাখি এই লেখাটো যুগুতাই উলিওৱা হৈছে।*

# তোমালোকৰ বাবে প্ৰশ্ন

১। লেটিন ভাষাত শব্দটোৰ অৰ্থ দীঘল চুলিযুক্ত। শব্দটোৰপৰা কোনটো মহাজাগতিক বস্তুৰ নাম আহিছে?


২। ১৯৯৯ চনত গুৰদয়াল সিঙে আৰু ২০০১ চনত ৰাজেন্দ্ৰ কেশৱলাল শ্বাহে বঁটাটো পাইছিল। ২০০০ চনত বঁটাটো কোনে পাইছিল?

৩। ইংৰাজী ভাষাত চাৰিটা আখৰযুক্ত কোন দুখন দেশৰ নামত ইংৰাজী বৰ্ণমালাৰ প্ৰথম তিনিটা আৰু প্ৰথম চাৰিটা বৰ্ণৰ তিনিটা পোৱা যায়?

৪। ব্ৰিটিছৰ শাসনকালত কোনখন চহৰ ভাৰতৰ গ্ৰীষ্মকালীন ৰাজধানী আছিল?

৫। দ্বিতীয়খন হ'ল 'দ্য ব্ৰডৱে' মেলডী (১৯২৯), তৃতীয়খন হ'ল 'অল কোৱাইট অন দ্য ৱেষ্টাৰ্ণ ফ্ৰণ্ট' (১৯৩০)। প্ৰথমখনৰ নাম কি? ❖

## চিত্ৰশিল্পী বেণু মিশ্ৰৰ দেহাৱসান



চিত্ৰশিল্পৰ মাজতে জীৱনৰ সপোন ৰচা প্ৰখ্যাত চিত্ৰশিল্পী বেণু মিশ্ৰৰ যোৱা ২৯ মে' তাৰিখে দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা স্বনামধন্য চিত্ৰশিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮১ বছৰ। চিত্ৰকলাৰ নান্দনিক উপস্থাপনেৰে সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হোৱা বেণু মিশ্ৰৰ জন্ম হৈছিল বৰপেটাৰ পালাংদিহাটীত ১৯৩৯ চনৰ ২৭ নৱেম্বৰত। ১৯৬১ চনত শান্তি নিকেতনৰপৰা সুকুমাৰ কলা আৰু শিল্পকলা বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰা চিত্ৰশিল্পীগৰাকীয়ে ১৯৬২ চনত অসমৰ জনসংযোগ বিভাগত 'আৰ্টিষ্ট' হিচাপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে। ১৯৬৪ চনত নেপালৰ কাঠমাণ্ডুত তেওঁৰ জীৱনৰ প্ৰথমখন একক চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল। ১৯৭৩ চনত পূব জাৰ্মানীত অনুষ্ঠিত দশম বিশ্ব যুৱ মহোৎসৱত যোগদান কৰা মিশ্ৰই কেন্দ্ৰীয় চৰকাৰৰপৰা সাংস্কৃতিক ফেল'শ্বিপ লাভ কৰিবলৈ সক্ষম হৈছিল। গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ প্ৰতিষ্ঠাপক সভাপতি মিশ্ৰৰ কেইখনমান অতি অৰ্থপূৰ্ণ চিত্ৰ হৈছে—ডেথ, লাষ্ট চাপাৰ, দা হট নিউজ। চিত্ৰশিল্পৰ উপৰি তেওঁ নৱযুগ, অধিনায়ক, কবিতা, কথা-গুৱাহাটী আদি মাহেকীয়া আলোচনীৰ লগতো ওতপ্ৰোতভাৱে জড়িত আছিল।

কল্পনা, উদ্ভাৱনী অংকন দক্ষতা, ইমেজ ৰচনা, বৰ্ণচয়ন আৰু বৰ্ণ প্ৰয়োগেৰে অসমৰ গ্ৰন্থ-আলোচনীৰ প্ৰচ্ছদ চিত্ৰক তেওঁ অনন্য মাত্ৰা আৰু মৰ্যাদা প্ৰদান কৰি গৈছে। অনুপম সৃষ্টি কৰ্মৰ স্বীকৃতিস্বৰূপে তেওঁক ২০০৩ চনত প্ৰণৱ বৰুৱা বঁটা, ২০০৬ চনত ৰাজ্য চৰকাৰৰ বিষ্ণু ৰাভা বঁটা আৰু ২০১০ চনত বৰুণা দুৱৰা সোঁৱৰণী অইল ইণ্ডিয়া শিল্প বঁটা প্ৰদান কৰা হয়।

## অসমৰ চাৰিগৰাকীলৈ সাহিত্য অকাডেমি বঁটা

অসমৰ চাৰিগৰাকী সাহিত্যিকে ২০১৯ বৰ্ষৰ সাহিত্য অকাডেমিৰ যুৱ আৰু শিশু-সাহিত্য পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৯ বৰ্ষৰ সাহিত্য অকাডেমি যুৱ পুৰস্কাৰ অসমীয়া ভাষাৰ জনপ্ৰিয় গল্পকাৰ সঞ্জীৱপল ডেকা আৰু বড়ো ভাষাৰ কবি ৰুজাব মুছাহাৰীয়ে লাভ কৰিছে। গল্পকাৰ সঞ্জীৱ পল ডেকাই চুটি গল্প সংকলন 'এইপিনে কি আছে?'ৰ বাবে এই পুৰস্কাৰ লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক সঞ্জীৱপল ডেকাৰ ঘৰ দৰং জিলাৰ দিঘিৰপাৰা বটাবাৰী গাঁৱত। ২০১০ চনত প্ৰকাশিত এই গ্ৰন্থখনৰ উপৰি তেওঁৰ সম্পাদনাত চলিত বৰ্ষত 'আৰ্হি তিৰোতা' নামৰ গ্ৰন্থ এখন প্ৰকাশ পাইছে। ২০১৭ চনৰপৰা গুৱাহাটীৰপৰা প্ৰকাশিত 'আলাপ' নামৰ আলোচনীখনৰ সম্পাদকৰ দায়িত্বও তেওঁ বহন কৰি আছে।

কবি ৰুজাব মুছাহাৰীয়ে কবিতাপুথি 'ছানস্ত্ৰি আৰো মোন্দাংথিনি মোখাং'ৰ বাবে যুৱ পুৰস্কাৰ লাভ কৰিছে। বিজনীৰ বাসিন্দা মুছাহাৰী বৰ্তমান ৰঙিয়া কলেজৰ সহকাৰী অধ্যাপক। তেওঁৰ ইতিমধ্যে বড়ো ভাষাত চাৰিখন কবিতাপুথি প্ৰকাশ পাইছে। এই বৰ্ষত মুঠ ২৩টা ভাৰতীয় ভাষাত কবিতা, গল্প, উপন্যাস আৰু সাহিত্য সমালোচনা শিতানত মুঠ ২৩ গৰাকী সাহিত্যিকলৈ যুৱ পুৰস্কাৰ আগবঢ়োৱা হৈছে।

তদুপৰি, সাহিত্য অকাডেমিৰ ২০১৯ বৰ্ষৰ শিশু সাহিত্য পুৰস্কাৰ অসমীয়া ভাষাত 'মিলি, অমিয়া আৰু এখন নদী' গল্পপুথিৰ বাবে গল্পকাৰ তথা জে বি কলেজৰ সহযোগী অধ্যাপিকা স্বামিম নাছৰিনে লাভ কৰিছে। কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত সোণতলী গাঁৱত জন্মগ্ৰহণ কৰা নাছৰিনৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ হৈছে 'সুৰুযমুখীৰ স্বপ্ন বিচাৰ'।

বড়ো ভাষাত 'চল' বাথা খানাচেং দে' লোক-সাহিত্যৰ বাবে লেখক লক্ষ্মীনাথ ব্ৰহ্মই শিশু-সাহিত্য পুৰস্কাৰ লাভ কৰিছে। বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষ্মীনাথ ব্ৰহ্মৰ ঘৰ কোকৰাঝাৰ জিলাৰ ছালাকাটিৰ হৰিগাঁৱত। ২০০৫ চনত সাহিত্যিক জীৱন আৰম্ভ কৰা ব্ৰহ্মই বৰ্তমানলৈ ১১ খন গ্ৰন্থ ৰচনা কৰিছে।

উল্লেখযোগ্য যে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মাক 'অসমা বাকমঞ্জুৰী' নামৰ অনূদিত কবিতা সংকলনৰ বাবে সাহিত্য অকাডেমিৰ অনুবাদ বঁটা প্ৰদান কৰা হয়।

## লোকসভাৰ নতুন অধ্যক্ষ ওম বিৰলা

এই বৰ্ষৰ ১৮ জুন তাৰিখে ৰাজস্থানৰ কোটা লোকসভা সমষ্টিৰ বিজেপিৰ সাংসদ ওম বিৰলা সপ্তদশ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। অধ্যক্ষ




হিচাপে নিৰ্বাচিত ৫৬ বছৰীয়া ওম বিৰলা একেৰাহে দ্বিতীয়বাৰৰ বাবে কোটাৰপৰা লোকসভালৈ জয়ী হৈছে। ২০১৪ চনত সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ পূৰ্বে তেওঁ তিনিবাৰকৈ ৰাজস্থান বিধানসভাৰ বিধায়ক আছিল। ২০০৪ চনৰপৰা ২০০৮ চনলৈ তেওঁ ৰাজস্থানৰ সংসদীয় কমিটিৰ সদস্য হিচাপে দায়িত্ব পালন কৰিছিল। তেওঁ বিজেপিৰ যুৱ সংগঠন ভাৰতীয় যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। নৱ নিৰ্বাচিত অধ্যক্ষ ওম বিৰলাই সদ্যহতে বিশেষভাৱে সক্ষম ব্যক্তিক সাহায্য প্ৰদান কৰি সমাজ সেৱাত অতি ঘনিষ্ঠভাৱে জড়িত হৈ আছে।

## ৰেবকান্ত মহন্ত, ইবেমপিশক দেৱীলৈ বিষ্ণু ৰাভা বঁটা

বিশিষ্ট মুখাশিল্পী ৰেবকান্ত মহন্ত আৰু মণিপুৰৰ বিশিষ্ট নৃত্যশিল্পী কুমাৰী লাইতোনজম ইবেমপিশক দেৱীক ২০১৯ বৰ্ষৰ 'বিষ্ণু ৰাভা' বঁটা প্ৰদান কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গোৱালপাৰা জিলাৰ ৰংজুলিত কেন্দ্ৰীয়ভাৱে আয়োজিত বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত বঁটাপ্ৰাপকদ্বয়ক এই বঁটা প্ৰদান কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই বঁটাত






আছে নগদ দুই লাখ টকাৰ লগতে এখনি প্ৰশস্তি পত্ৰ আৰু অংগবস্ত্ৰ।

১৯৩৫ চনত জন্মগ্ৰহণ কৰা ৰেবকান্ত মহন্তই সত্তৰৰ দশকৰপৰাই অসমৰ বিভিন্ন স্থানৰ লগতে কলকাতা, দিল্লী, বৃন্দাবন আদি ভাৰতৰ বিভিন্ন ঠাইত বৰগীত, সত্ৰীয়া নৃত্য আৰু ভাওনা প্ৰদৰ্শন কৰি আহিছে। সুদক্ষ মুখাশিল্পীৰূপে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি লাভ কৰা শিল্পীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰদৰ্শনৰ বাবে সত্তৰখন মুখা দান কৰিছে। তদুপৰি তেওঁ তৈয়াৰ কৰা মুখা তেজপুৰ বিশ্ববিদ্যালয়, ইণ্ডিয়ান মিউজিয়াম অব কলকাতা, নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় সংগ্ৰহালয়, ৱাশ্বিংটনৰ নেছনেল মিউজিয়াম, অষ্ট্ৰেলিয়া, ৰাছিয়া আৰু জাপানৰ সংগ্ৰহালয়ত প্ৰদৰ্শনৰ বাবে ৰখা হৈছে। জীৱনজোৰা সাধনাৰ স্বীকৃতিস্বৰূপে তেওঁক ২০১৫ চনত সংগীত নাটক অকাডেমি বঁটাৰে সন্মানিত কৰা হয়। আনহাতে, ১৯৫২ চনত জন্মগ্ৰহণ কৰা মণিপুৰী নৃত্যৰ স্নাতকোত্তৰ ডিপ্লমাধাৰী নৃত্য শিল্পী কুমাৰী লাইতোনজম ইবেমপিশক দেৱীয়ে ইশ্বৈই নৃত্য, কৃষ্ণ নৃত্য, নিমাই সন্ন্যাসী নৃত্য, ৰাসলীলা নৃত্য, নৈতম নৃত্য আদি পৰিৱেশন কৰি মণিপুৰী নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত অৰিহণা যোগাই আহিছে। তেওঁ ১৯৯০ চনত মণিপুৰৰ ৰাজ্যপালৰ সোণৰ পদক আৰু টম্বী দেৱী সোণৰ পদকৰ লগতে ১৯৯৮ চনত মণিপুৰী সাহিত্য পৰিষদৰ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ ২০১৭ চনত অসম চৰকাৰৰ শিল্পী পেন্সনো লাভ কৰিবলৈ সক্ষম হৈছে।

## ভাৰতৰ নিজা মহাকাশ কেন্দ্ৰ আৰু চন্দ্ৰযান-২



এই বৰ্ষৰ ১৩ জুনত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ (ইছৰো) অধ্যক্ষ কে. শিৱানে ভাৰতে নিজাকৈ 'মহাকাশ কেন্দ্ৰ' (Space Station) নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰে। ২০২২ চনৰ আগষ্ট মাহত 'গগনযান'ৰ যাত্ৰা আৰম্ভ হোৱাৰ লগে লগে মহাকাশ কেন্দ্ৰ (Station) নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। অধ্যক্ষ শিৱানে প্ৰকাশ কৰা অনুসৰি এই কেন্দ্ৰটোৰ ওজন ২০ টন হ'ব আৰু ইয়াক পৃথিৱীৰপৰা ৪০০ কিমি. উচ্চতাত স্থাপন কৰা হ'ব। মহাকাশচাৰীয়ে কেন্দ্ৰটোত ১৫ ৰপৰা ২০ দিন থাকিব পৰা সু-ব্যৱস্থা থাকিব। এই কেন্দ্ৰটো নিৰ্মাণৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ১০,০০০ কোটি টকা আবণ্টন দিছে। ভাৰতবৰ্ষৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন বিজ্ঞানী আৰু প্ৰতিনিধিক লৈ 'গগনযান ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদ' গঠন কৰা হৈছে। বৰ্তমান কেৱল আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া আৰু চীনৰহে মহাকাশ কেন্দ্ৰ আছে।

জি. এছ্. এল. ভি. এম. কে.-৩ উৎক্ষেপণ বাহনেৰে 'গগনযান' অভিযান চলোৱাৰ পূৰ্বে ভাৰতে চন্দ্ৰপৃষ্ঠত দুটা মানৱহীন অভিযান সম্পন্ন কৰিব। সেয়েহে ভাৰতে অহা ১৫ জুলাইত চন্দ্ৰ অভিমুখে 'চন্দ্ৰযান-২' প্ৰেৰণ কৰিবৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। চন্দ্ৰযান-২য়ে পূৰ্বে কোনো অভিযানে সামৰি নোলোৱা চন্দ্ৰৰ দক্ষিণ মেৰু অঞ্চলত অৱতৰণ কৰিব। 'চন্দ্ৰযান-২' খন অহা ৭ ছেপ্টেম্বৰত চন্দ্ৰপৃষ্ঠত উপস্থিত হ'ব আৰু এই যানখনৰ মুঠ ওজন হৈছে ৩.৮ টন। অতি জটিল আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচিত এই চন্দ্ৰযান-২ অভিযানে ভাৰতৰ মহাকাশ গৱেষণা ক্ষেত্ৰখনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি ইছৰোৰ অধ্যক্ষ শিবানে আশা প্ৰকাশ কৰিছে।

## ছাংহাই ক'অপাৰেছন অৰ্গেনাইজেছনৰ শীৰ্ষ সন্মিলন


এই বৰ্ষৰ ১৩ আৰু ১৪ জুনত কিৰ্গিস্তানৰ ৰাজধানী বিছকেকত ছাংহাই ক'অপাৰেছন অৰ্গেনাইজেছনৰ (এছ. চি.অ'.) ১৫ সংখ্যক শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হয়। এই সন্মিলনত সদস্য ৰাষ্ট্ৰকেইখনৰ ৰাষ্ট্ৰ প্ৰধানসকলে ৰাজনৈতিক, অৰ্থনৈতিক আৰু নিৰাপত্তা বিষয়ক কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। ২০০১ চনৰ ১৫ জুনত স্থাপন হোৱা এই সংগঠনটোৰ সদস্য ৰাষ্ট্ৰ আঠখন হৈছে ভাৰত, চীন, কাজাখাস্থান, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান আৰু উজবেকিস্তান। আফগানিস্তান, বেলাৰুচ, ইৰাণ আৰু মংগোলীয়া হৈছে এই সংগঠনটোৰ পৰ্যবেক্ষক সদস্য ৰাষ্ট্ৰ। বেইজিঙত প্ৰধান কাৰ্যালয় থকা ছাংহাই ক'অপাৰেছন সংগঠনটোৰ বৰ্তমান সচিব প্ৰধান হৈছে ভ্লাদিমিৰ ন'ৰভ।

ছাংহাই সহযোগিতা সংগঠনৰ বৈঠকত অংশগ্ৰহণ কৰিবৰ বাবে ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ১৩ জুনত বিছকেকত উপস্থিত হয়। প্ৰধানমন্ত্ৰী মোডীৰ অনুৰোধ মৰ্মে শীৰ্ষ সন্মিলনত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সদস্য ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্য সেৱা, যোগাযোগ, যাতায়াত, প্ৰযুক্তি হস্তান্তৰ আদি বিষয়ত অধিক সহযোগিতা আৰু সৰলীকৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ভাৰতৰ প্ৰধান মন্ত্ৰী মোডীয়ে 'চীন-পাকিস্তান অৰ্থনৈতিক কৰিডৰ'ৰ তীব্ৰ বিৰোধিতা কৰি সকলো দেশৰে সাৰ্বভৌমত্ব আৰু আঞ্চলিক সংহতি ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

শীৰ্ষ সন্মিলনৰ অৱসৰৰ মুহূৰ্তত প্ৰধানমন্ত্ৰী মোডী চীনৰ ৰাষ্ট্ৰপতি জি. জিনপিং, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, কিৰ্গিস্তানৰ ৰাষ্ট্ৰপতি ছুৰনবে জীনবেক'ভ আৰু আফগানিস্তানৰ ৰাষ্ট্ৰপতি আশ্ৰুফ ঘানিৰ লগত বৈঠকত মিলিত হয়। এই বৈঠকত অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক অধিক উন্নত কৰাৰ হকে একেলগে কাম কৰি যোৱাৰ সংকল্প লোৱা হয়।

## যুৱৰাজ সিঙৰ অৱসৰ

এই বৰ্ষৰ ১০ জুনত ভাৰতীয় ক্ৰিকেট খেলৰ



মহাতাৰকা যুৱৰাজ সিঙে ১৭ বছৰীয়া বৰ্ণিল পৰিক্ৰমা সামৰি অৱসৰ লোৱাৰ কথা ঘোষণা কৰে। ২০০০ চনত যুৱৰাজ সিঙৰ ক্ৰিকেট জীৱন আৰম্ভ হৈছিল। আৰম্ভণিতে শ্ৰীলংকাত অনুষ্ঠিত ১৯ অনুৰ্ধ্ব যুৱ বিশ্বকাপৰ খিতাপ ভাৰতে লাভ কৰিছিল আৰু যুৱৰাজ সেই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হৈছিল। সেই বৰ্ষতে কেনিয়াত অনুষ্ঠিত আই চি চি নকআউট ট্ৰফীত ছিনিয়ৰ দলত যুৱৰাজৰ অভিষেক ঘটে আৰু অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৮০ বলত ৯৪ ৰাণ কৰি বিশ্ব ক্ৰিকেটত নিজৰ উপস্থিতি ঘোষণা কৰে। বৰ্ণময় ক্ৰিকেট জীৱনত তেওঁ ভাৰতৰ হৈ ৩০৪ খন এদিনীয়া খেলত অংশগ্ৰহণ কৰি ১৪টা শতক আৰু ৫২টা অৰ্ধশতকসহ ৮৭০১ ৰাণ কৰে। তেওঁ ৪০ খন টেষ্টত ৩টা শতক আৰু ১১ টা অৰ্ধশতকসহ ১৯০০ ৰাণ কৰে। ৫৮ খন টি-২০ মেচত তেওঁ ৮টা অৰ্ধশতকসহ ১১৭৭ ৰাণ কৰে। যুৱৰাজ সিঙে ভাৰতৰ হৈ খেলি কেইবাটাও বিশ্ব অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। ২০০৭ চনত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত টি-২০ বিশ্বকাপ খেলত ইংলেণ্ডৰ ষ্টুৱাৰ্ট ব্ৰ'ডৰ এটা অ'ভাৰত যুৱৰাজে ছটা ছয় কোবাই বিশ্ব অভিলেখ ৰচনা কৰিছিল। তদুপৰি এম এছ ধোনীৰ নেতৃত্বত ভাৰতে ২০১১ চনৰ বিশ্বকাপ জয়লাভ কৰাৰ আঁৰৰ এগৰাকী অন্যতম খেলুৱৈ হৈছে যুৱৰাজ সিং। অনবদ্য অলৰাউণ্ড প্ৰদৰ্শন দাঙি ধৰি যুৱৰাজ সিঙে সেইখন বিশ্বকাপ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছিল। মাজতে দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি আৰোগ্য লাভ কৰা যুৱৰাজে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত মুঠ ১৪৮টা উইকেট দখল কৰিছিল। এইগৰাকী অভিলেখ সৃষ্টিকাৰী ক্ৰিকেটাৰে ২০১৭ চনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অন্তিমখন এদিনীয়া আৰু টি-২০ খেল খেলিছিল। ১৯৮১ চনৰ ১২ ডিছেম্বৰত চণ্ডীগড়ত জন্মগ্ৰহণ কৰা যুৱৰাজ সিঙৰ অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেওঁক ২০১৪ চনত পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰে। ২০০৭ চনত তেওঁ অৰ্জুন পুৰস্কাৰো লাভ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## ২০১৯ বৰ্ষৰ জুন মাহত বিদ্যালয়ৰ পুথিভঁৰালত সংযোজিত হোৱা কিতাপৰ তালিকা

**(তালিকাত কিতাপসমূহৰ বিষয়ে 'কিতাপৰ নাম/লিখকৰ নাম/প্ৰকাশক/বিষয়/কিতাপৰ সংখ্যা' —এই অনুক্ৰমত উল্লেখ কৰা হৈছে।)**

- **দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা**/মামণি ৰয়ছম গোস্বামী/ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ/উপন্যাস/০১
- **জেন আয়াৰ**/অনুবাদ : জুনু মহন্ত/শৰাইঘাট প্ৰকাশন/কালজয়ী সাহিত্য/০১
- **ড° জেকিল আৰু মিষ্টাৰ হাইড**/অনুবাদ : বাৰ্ট লুই ষ্টিভেনছন/শৰাইঘাট প্ৰকাশন/কালজয়ী সাহিত্য/০১

## নৱনিযুক্ত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ৰাজ্যিক মন্ত্ৰী আৰু দপ্তৰ

| | | |
|---|---|---|
| ১। ফাগান সিং কুলস্তে | : | তীখা |
| ২। অশ্বিনী কুমাৰ চৌবে | : | স্বাস্থ্য, পৰিয়াল কল্যাণ |
| ৩। অৰ্জুন ৰাম মেঘৱাল | : | সংসদীয় পৰিক্ৰমা আৰু গুৰু উদ্যোগ |
| ৪। ভি কে সিং | : | পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ |
| ৫। কৃষাণ পাল | : | সামাজিক ন্যায় আৰু সবলীকৰণ |
| ৬। দানভে ৰাওচাহেব দাদাৰাও | : | গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ |
| ৭। জি কিষাণ ৰেড্ডী | : | গৃহ পৰিক্ৰমা |
| ৮। পুৰুষোত্তম ৰূপালা | : | কৃষি আৰু কৃষক কল্যাণ |
| ৯। ৰামদাস আঠাৱালে | : | সামাজিক ন্যায় আৰু সবলীকৰণ |
| ১০। সাধ্বী নিৰঞ্জন জ্যোতি | : | গ্ৰাম্য উন্নয়ন |
| ১১। বাবুল সুপ্ৰিয় | : | পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন |
| ১২। সঞ্জীৱ কুমাৰ বাল্য | : | পশুপালন, দুগ্ধ আৰু মীন |
| ১৩। ধত্ৰে সঞ্জয় শ্যামৰাও | : | মানৱ সম্পদ উন্নয়ন, যোগাযোগ, তথ্য প্ৰযুক্তি |
| ১৪। অনুৰাগ সিং ঠাকুৰ | : | বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা |
| ১৫। অংগাদি সুৰেশ চান্নাবাচাপ্পা | : | ৰে'ল |
| ১৬। নিত্যানন্দ ৰায় | : | গৃহ পৰিক্ৰমা |
| ১৭। ৰতনলাল কাটাৰিয়া | : | জলশক্তি, সামাজিক ন্যায় আৰু সবলীকৰণ |
| ১৮। ভি মুৰলিধৰণ | : | সংসদীয় পৰিক্ৰমা |
| ১৯। ৰেণুকা সিং চাৰুতা | : | জনজাতি পৰিক্ৰমা |
| ২০। সোম প্ৰকাশ | : | বাণিজ্য আৰু উদ্যোগ |
| ২১। ৰামেশ্বৰ তেলী | : | খাদ্য সংসাধন উদ্যোগ |
| ২২। প্ৰতাপ চন্দ্ৰ চাৰাংগী | : | ক্ষুদ্ৰ আৰু মধ্যম প্ৰতিষ্ঠান, পশুপালন আৰু মীন |
| ২৩। কৈলাশ চৌধুৰী | : | কৃষি আৰু কৃষক কল্যাণ। |

## স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী

| | | |
|---|---|---|
| ১। সন্তোষ কুমাৰ গেংৱাৰ | : | শ্ৰম আৰু নিয়োগ |
| ২। ৰাও ইন্দ্ৰজিৎ সিং | : | পৰিসংখ্যা, পৰিকল্পনা |
| ৩। শ্ৰীপদ য়েছু নাইপ | : | আয়ুৰ্বেদ, হোমিঅ', যোগ, প্ৰতিৰক্ষা, উত্তৰ-পূব উন্নয়ন |
| ৪। ড° জীতেন্দ্ৰ সিং | : | কৰ্মচাৰী, ৰাজহুৱা অভিযোগ, পেন্সন, আণৱিক শক্তি আৰু মহাকাশ |
| ৫। কীৰেন ৰিজিজু | : | ক্ৰীড়া আৰু যুৱকল্যাণ, সংখ্যালঘু উন্নয়ন |
| ৬। প্ৰহ্লাদ সিং পেটেল | : | সাংস্কৃতিক পৰিক্ৰমা আৰু পৰ্যটন |
| ৭। ৰাজকুমাৰ সিং | : | শক্তি, নৱীকৰণযোগ্য শক্তি, দক্ষতা উন্নয়ন |
| ৮। হৰদীপ সিং পুৰী | : | গৃহ, অসামৰিক পৰিবহণ, বাণিজ্য আৰু উদ্যোগ |
| ৯। মহসুখ মাণ্ডব্য | : | জাহাজ, ৰসায়ন আৰু সাৰ |
| ১০। দেৱাশিস চৌধুৰী | : | মহিলা আৰু শিশু উন্নয়ন |

**(টোকা : কেবিনেট মন্ত্ৰীৰ তালিকাখন জুন, ২০১৯ সংখ্যাত প্ৰকাশ কৰা হৈছে।)**

## খবৰৰ লেছেৰি বোটলা

**(২১ মে', ২০১৯ ৰপৰা ২০ জুন, ২০১৯লৈ)**

২৩ **মে'** : বিশিষ্ট সাহিত্যিক সুশীল কুমাৰ গগৈলৈ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হয়।

২৪ **মে'** : বিশিষ্ট সাহিত্যিক ৰংবং তেৰাঙক অসম সাহিত্য সভাৰ লুম্মেৰ দাই সাহিত্য বঁটা প্ৰদান কৰা হয়।

- ইণ্ডিয়া অ'পেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতাত অসমৰ শিৱ থাপা, যমুনা বড়ো, ভাগ্যৱতী কছাৰীয়ে সোণৰ পদক লাভ কৰে।
- ন'বেল বঁটা বিজয়ী বিখ্যাত পদাৰ্থবিজ্ঞানী মুৰাৰে-গেল মানৰ ৮৯ বছৰত মেক্সিকোত মৃত্যু হয়।

২৬ **মে'** : হাংগেৰীত অনুষ্ঠিত পঞ্চম আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ধৃতিমান কাকতীৰ 'দা মেন হু স্পীক্‌ছ নেচাৰ' ছবিখনে শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰে।

২৭ **মে'** : ছিকিম ক্ৰান্তিকাৰী মৰ্চাৰ সভাপতি প্ৰেম সিং তামাঙে ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

২৮ **মে'** : স্কট মৰিছনে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

২৯ **মে'** : জে পি নাড্ডা বিজেপিৰ সভাপতি মনোনীত হয়।

- বিজু জনতা দলৰ সভাপতি নবীন পাটনায়কে পঞ্চমবাৰলৈ ওড়িশাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৩০ **মে'** : আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে ভাৰতৰ যশপ্ৰীত বুমৰাহক বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ পুৰস্কাৰ প্ৰদান কৰে।

৩০ **মে'** : ভাৰতৰ অনিতা ভাটিয়াক ৰাষ্ট্ৰসংঘৰ সম্পদ ব্যৱস্থাপনা, সহযোগিতা আদি বিষয়ৰ উপ-কাৰ্যবাহী সঞ্চালক হিচাপে সচিবপ্ৰধান এণ্টনিঅ' গুটেৰেজে নিযুক্তি দিয়ে।

৩১ **মে'** : এডমিৰেল কৰমবীৰ সিঙে ভাৰতীয় নৌবাহিনীৰ মুৰব্বীৰূপে শপত গ্ৰহণ কৰে।

- বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু কামাখ্যা প্ৰসাদ তাছা বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হয়।

১ **জুন** : বিখ্যাত মমৰ যাদুঘৰ প্ৰতিষ্ঠান মাডাম টুছ'ত ভাৰতীয় ক্ৰিকেটাৰ বিৰাট কোহলিৰ এটা মমৰ মূৰ্তি উন্মোচন কৰা হয়।

২ **জুন** : চলচ্চিত্ৰ আৰু দূৰদৰ্শনৰ ধাৰাবাহিক পৰিচালক, সম্পাদক মানস অধিকাৰীৰ মৃত্যু হয়।

৩ **জুন** : অজিত ডোভালক কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীৰ পৰ্দমৰ্যাদাসহ পুনৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে।

৫ **জুন** : পৰীক্ষামূলকভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰত হাইড্ৰ'জেন চালিত উৰন্ত টেক্সি সেৱা আৰম্ভ কৰা হয়।

৮ **জুন** : তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠান 'উইপ্ৰ' লিমিটেডৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ আজিম প্ৰেমজীয়ে পদত্যাগৰ কথা ঘোষণা কৰে।

৯ **জুন** : ৰাজীৱ কুমাৰক নিটি আয়োগৰ উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মালদ্বীপ ভ্ৰমণ সামৰি শ্ৰীলংকাত উপস্থিত হৈ ৰাষ্ট্ৰপতি মৈত্ৰীপাল চিৰিসেনাৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

১৫ **জুন** : দক্ষিণ কোৰিয়াক হৰুৱাই ফিফা ২০ অনুৰ্দ্ধ বিশ্বকাপ প্ৰতিযোগিতাত ইউক্ৰেইন চেম্পিয়ন হয়।

১৬ **জুন** : ৰাজস্থানৰ সুমন ৰাৱে ২০১৯ বৰ্ষৰ 'মিছ ইণ্ডিয়া' খিতাপ দখল কৰে।


১৮ **জুন** : বিশ্বকাপ-২০১৯ ক্ৰিকেট প্ৰতিযোগিতাত ইংলেণ্ডৰ অধিনায়ক ইয়ন মৰ্গানে আফগানিস্তানৰ বিৰুদ্ধে খেলি এটা ইনিংছত ১৭টা ছয় কোবাই বিশ্ব অভিলেখ গঢ়ে।

- ভাৰত চৰকাৰৰ 'ষ্টাৰ কলেজ' শিক্ষা আঁচনিত বকোৰ জে এন কলেজ অন্তৰ্ভুক্ত হয়।

২০ **জুন** : অনুপ্ৰৱেশপ্ৰৱণ সকলো ৰাজ্যতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী হ'ব বুলি ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে ঘোষণা কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# সাগৰ কুসুম : প্ৰবাল



'সাগৰ কুসুম' (Sea Flower) বুলি কাক কোৱা হয় জানানে? প্ৰবাল নামৰ অমেৰুদণ্ডী ক্ষুদ্ৰ সামুদ্ৰিক প্ৰাণীবিধক 'সাগৰ কুসুম' বুলি কোৱা হয়। দেখাত ফুলৰ দৰে হোৱাৰ বাবে ইয়াক এই নামেৰে জনা যায়। প্ৰায় সকলোবোৰ সাগৰতে প্ৰবাল পোৱা যায়। প্ৰবালৰ শৰীৰৰ গঠন সৰল, আকৃতি মোনাৰ দৰে, মুখৰ ওচৰত আঙুঠিৰ দৰে কিছুমান অংগ থাকে। প্ৰবালসমূহে সাধাৰণতে দল বান্ধি বসবাস কৰে। ইহঁতে সৰু মাছ আৰু আন সামুদ্ৰিক প্ৰাণী খাদ্য হিচাপে গ্ৰহণ কৰে। আকাৰ অনুযায়ী প্ৰবালক ব্ৰেইন (Brain) প্ৰবাল, ষ্টোন (Stone) প্ৰবাল, অৰ্গান পাইপ (Organ Pipe) প্ৰবাল, ডেডমেনছ (Dead men's) প্ৰবাল আদি ভাগত ভাগ কৰা হয়। আনহাতে বৰণ অনুযায়ী প্ৰবালক ৰঙা প্ৰবাল, নীলা প্ৰবাল, গোলাপী প্ৰবাল আদি ভাগত ভগোৱা হয়। প্ৰবালৰ একোটা ডাঙৰ পালত কিছুমান শেলাইজাতীয় ক্ষুদ্ৰ সামুদ্ৰিক উদ্ভিদেও বাস কৰে। এই উদ্ভিদবোৰে প্ৰবালৰ দেহৰপৰা বৰ্জিত পদাৰ্থবোৰ খাদ্য হিচাপে গ্ৰহণ কৰে। আনহাতে এই উদ্ভিদবোৰে এৰি দিয়া অক্সিজেন প্ৰবালবোৰে গ্ৰহণ কৰে। ❖

# আমি কৰমৰ্দন কৰোঁ কিয়?



এজনে আনজনৰ হাতত ধৰি জনোৱা শুভেচ্ছাকে আমি হেণ্ডচেক বা কৰমৰ্দন বুলি কওঁ। কৰমৰ্দন কৰিবলৈ সোঁহাতখন ব্যৱহাৰ কৰা হয়। মানুহৰ সোঁহাতখন বাঁওহাততকৈ অধিক শক্তিশালী। আদিম যুগৰপৰাই মানুহে চিকাৰ কৰা, শত্ৰুৰপৰা আত্মৰক্ষা কৰা আদি কামত সোঁহাতখন ব্যৱহাৰ কৰিছিল। সেয়েহে হয়তো কৰমৰ্দন কৰিবলৈও সোঁহাতখনেই ব্যৱহাৰ কৰে। যুদ্ধৰ পিছত সন্ধি বা বন্ধুত্ব কৰাৰ ক্ষেত্ৰত হাতখন আগবঢ়াই দিয়াৰ পৰাই কৰমৰ্দন প্ৰথাৰো আৰম্ভ হোৱা বুলি ধাৰণা কৰা হয়। কৰমৰ্দন প্ৰথা পোনপ্ৰথম গ্ৰীকসকলেই আৰম্ভ কৰিছিল বুলি কোৱা হয়। গ্ৰীকসকলে তেওঁলোকৰ কিছুমান বিশেষ মনোভাৱ প্ৰকাশ কৰিবলৈ হাত দুখন ব্যৱহাৰ কৰিছিল। সোঁহাতখন মুঠিবদ্ধ কৰিলে বুজা গৈছিল যে সেয়া শত্ৰুতা, দুয়োখন হাত (নিৰস্ত্ৰ হৈ) ওপৰলৈ তুলিলে আত্মসমৰ্পণ আৰু দুয়োখন হাত মেলি ধৰিলে দয়া বা সহায় ভিক্ষা কৰা বুলি বুজা গৈছিল। পিছৰ সময়ত এনে ব্যৱস্থাৰ কিছু পৰিবৰ্তন হৈ কৰমৰ্দনৰ লগতে হাতৰ আন ভংগিমাসমূহো সমগ্ৰ বিশ্বত প্ৰচলিত হৈ পৰে। ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| **ফলৰ নাম** | | **জন্তুৰ নাম** | |
| আনাৰস | : Pineapple | গঁড় | : Rhinoceros |
| আখৰোট | : Walnut | ঘঁৰিয়াল | : Crocodile |
| আতলচ | : Custard apple | ঘোং | : Black panther |
| অমৰা | : Indian hog plum | ঢেঁকীয়াপতীয়া বাঘ | : Royal Bengal tiger |
| আমলখি | : Indian gooseberry | জহামাল | : Civet cat |
| কাজুবাদাম | : Cashew nut | হেপা | : Male wild cat |
| কৰ্দৈ | : Star fruit | উদ | : Otter |
| চিৰাল | : Melon | মলুৱা বান্দৰ | : Male Macaque |
| ডালিম | : Pomegranate | বৰা | : Boar, Wild pig |
| তাল | : Palmyra, Fan palm | দল হৰিণা | : Swamp deer |
| বগৰী | : Jujube | হলৌ বান্দৰ | : Hoolock gibbon |
| লেতেকু | : Burmese Grape, Longsat | কেঁটেলা পহু | : Porcupine |
| মাকৈ | : Corn | খচ্চৰ | : Mule |
| শিলিখা | : Myrobalan | বনৰৌ | : Pangolin |
| মৌচুমী | : Sweet lemon | চিতাবাঘ | : Citah ❖ |

# মহাকাশলৈ যাত্ৰা কৰা প্ৰথম মহিলা

■ তৃষ্ণা কলিতা

মহাকাশত পদাৰ্পণ কৰা প্ৰথম ব্যক্তিগৰাকী হ'ল যুৰি গাগাৰিণ। তেনেদৰে মহাকাশলৈ যাত্ৰা কৰা প্ৰথম গৰাকী মহিলা হ'ল ভেলেণ্টিনা তেৰেস্ক'ভা (Valentina Tereshkova)।



তেৰেস্ক'ভা এগৰাকী মহাকাশচাৰী হোৱাৰ উপৰি এগৰাকী অভিযন্তা আৰু ৰাজনীতিবিদো আছিল। ১৯৬৩ চনৰ ১৬ জুন তাৰিখে ভষ্টক-৬ (Vostok-6) নামৰ মহাকাশযানেৰে তেওঁ অকলে মহাকাশলৈ উৰা মাৰিছিল।

তেৰেস্ক'ভাৰ ১৯৩৭ চনৰ ৬ মাৰ্চত তেতিয়াৰ ছ'ভিয়েট সংঘৰ (USSR, Union of Soviet Socialist Republic) ব'লশ্বোয়ে মাছলেনিক'ভ' নামৰ এখন গাঁৱত জন্ম হৈছিল। খেতিয়ক পৰিয়ালৰ তেৰেস্ক'ভাই ১৬ বছৰ বয়সত বিদ্যালয় ত্যাগ কৰি বস্ত্ৰ উৎপাদন কাৰখানাত কাম কৰিবলৈ আৰম্ভ কৰে। সৰুকালৰপৰাই তেওঁ পেৰাচুটিঙৰ (parachuting) প্ৰতি আগ্ৰহী আছিল। সেয়ে তেওঁ এনে এটা সংঘত যোগদান কৰে। সেই একে সময়তে তেৰেস্ক'ভাই আভিযান্ত্ৰিক শিক্ষাও গ্ৰহণ কৰে।

তেৰেস্ক'ভাই মহাকাশচাৰী হ'বলৈ মন কৰি ছ'ভিয়েট মহাকাশ কেন্দ্ৰলৈ (Soviet Space Centre) এখন চিঠি লিখে। সৌভাগ্যবশতঃ মহিলা পেৰাচুট চালকৰ এটা দলক সাক্ষাৎকাৰৰ বাবে নিৰ্বাচন কৰা হয়। ১৯৬১ চনৰ ডিছেম্বৰ মাহত তেৰেস্ক'ভাক সাক্ষাৎকাৰৰ বাবে আৰু চিকিৎসা পৰীক্ষা কৰিবলৈ মস্কোলৈ নিমন্ত্ৰণ কৰে।

১৯৬২ চনৰ ফেব্ৰুৱাৰি মাহত তেৰেস্ক'ভাই আৰু আন চাৰিগৰাকী মহিলাৰ সৈতে ছ'ভিয়েট মহাকাশচাৰী দলত যোগদান কৰে। মহাকাশত নিজকে সুস্থ কৰি ৰাখিবলৈ তেওঁলোকক কেইবামাহো প্ৰশিক্ষণ দিয়া হৈছিল। তেৰেস্ক'ভাৰ লগত অইন এগৰাকী মহিলাও চূড়ান্ত প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হৈছিল যদিও প্ৰদৰ্শনৰ ভিত্তিত তেৰেস্ক'ভাৰ নাম চূড়ান্ত কৰা হয়। ১৯৬৩ চনৰ ১৬ জুনত ভষ্টক-৬ মহাকাশযানৰ সৈতে তেওঁক মহাকাশলৈ প্ৰেৰণ কৰা হয়। তেওঁ ৭০ ঘণ্টা ৫০ মিনিটৰ মহাকাশ যাত্ৰাত ৪৫ বাৰ পৃথিৱীৰ চাৰিওফালে প্ৰদক্ষিণ কৰে। তেৰেস্ক'ভাই মহাকাশ যাত্ৰা সামৰি ভ'ষ্টক-৬ মহাকাশযানৰপৰা পেৰাচুটৰ সহায়ত কাজাখাস্তানৰ কাৰাংগানা অঞ্চলত অৱতৰণ কৰে। ❖

## অসমীয়া খণ্ড-বাক্য

**চেকা লগা** (দাগ লগা, অৰ্থাৎ বদনাম হোৱা) : জীৱনৰ প্ৰতিটো খোজ সাৱধানে দিবি বোপাই, এবাৰ চেকা লাগিলে গুচাবলৈ টান।

**চেঙালুটি পৰা** (পানীৰ পৰা তোলা চেং মাছৰ দৰে ধৰফৰাই ইলুটি-সিলুটি কৰা, অৰ্থাৎ যন্ত্ৰণাত চটফটোৱা) : কটা ঘাঁ টুকুৰাৰ বিষত দিনৰ দিনটো যোগেনে চেঙালুটি পাৰি আছে।

**চেলাপটী জোক** (চেলাপটী জোকে লেপেট খাই লাগি ধৰে, অৰ্থাৎ কামত লেপেট খাই লাগি থকা মানুহ) : চেলাপটী জোকৰ দৰে সি কামটোত লাগিল যি লাগিলেই, এবাৰ মুৰ তুলি চাবলৈও আহৰি নাই।

**চেলেং পেতেং কৰা** (মনপুতি নকৰি কোনো কাম অনিচ্ছাৰে অলপ মাত্ৰ কৰা) : পঢ়াৰ সময়ত চেলেং পেতেং কৰাৰ ফল পালি নহয়, পৰীক্ষাত পাছ কৰিবলৈকো টান হ'ল।

**চৈধ্য ভূৱন দেখা** (চৈধ্য ভূৱন বাগৰি ফুৰা, অৰ্থাৎ অতিশয় কষ্ট পোৱা বা লটিঘটি হোৱা) : মাকৰ দুৰাৰোগ্য ৰোগটোৱে অভাৰী ল'ৰাটোক চৈধ্য ভূৱন দেখুৱালে। ❖

## তলৰ ছবি দুখন চিনাক্ত কৰাঁ।






# চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## কাছৰ পিঠিৰ চলংখন কেনেকৈ আহিল?

■ উৎপল ডেকা



কাছটোৱে ইয়াৰ খোলাটো কেনেকৈ পাইছিল? শুনিবলৈ কোনোবা কাল্পনিক কাহিনীৰ শিৰোনাম যেন লাগিলেও দৰাচলতে ই শতিকা ধৰি জীৱ বিজ্ঞানীসকলক আমনি কৰি অহা এটা প্ৰশ্ন। শেহতীয়া জীৱাশ্ম গৱেষণাই ইয়াৰ উত্তৰৰ বাবে কিছু শুংসূত্ৰ উলিয়াব পাৰিছে।

কাছবিলাকৰ খোলাটো জঁকাত লাগি থাকে। কাছৰ এই বিশেষত্বপূৰ্ণ গঠনক বিৱৰ্তনৰ সবাতোকৈ দীৰ্ঘদিনীয়া সাঁথৰ হিচাপে গণ্য কৰা হয়। প্ৰাচীন কাছৰ মাথোঁ কেইটামান জীৱাশ্মহে এতিয়ালৈ আৱিষ্কাৰ হৈছে। সেইবাবে এই সম্পৰ্কে বিশেষ তথ্য পোৱা নাযায়। এই প্ৰাণীটোৱে কিদৰে ইয়াৰ বিশেষ অৱয়ব লাভ কৰিছিল বা কোন পূৰ্বপুৰুষৰপৰা সিহঁতৰ সৃষ্টি হৈছিল আদি কথাও এতিয়ালৈ ভালদৰে জানিব পৰা হোৱা নাই।

শেহতীয়াভাৱে নেচাৰ (Nature) নামৰ আলোচনীখনত এই বিষয়ৰ কিছু তথ্য প্ৰকাশ পাইছে। তথ্যখিনি চীনত আৱিষ্কাৰ হোৱা ২২৮ নিযুত বছৰ আগৰ কাছ এটাৰ জীৱাশ্মৰপৰা সংগ্ৰহ কৰা।

জীৱাশ্মটোৰ জঁকাটোত এটা ঠোঁট আছে, লগতে দাঁতো আছে, যাক প্ৰাচীন কালৰ কাছ আৰু বৰ্তমানৰ কাছৰ মাজৰ বিৱৰ্তনৰ 'হেৰোৱা সূত্ৰ' বুলি ক'ব পাৰি। এতিয়ালৈ আৱিষ্কৃত এইটোৱেই ঠোঁট থকা কাছৰ প্ৰথম জীৱাশ্ম বুলি চান লি নামৰ গৱেষকগৰাকীয়ে কয়। জীৱাশ্মটোত এটা অৰ্ধ বিকশিত ঠোঁটৰ সাঁচ দেখা পোৱা গৈছিল। এই ঠোঁট সদৃশ অংগত দাঁতৰ অস্তিত্বৰ বিষয়েও ধৰা পৰিছিল। এয়া এক বিৰল বৈশিষ্ট্য।

জীৱাশ্মটোৰপৰা বিজ্ঞানীসকলে ঠাৱৰ কৰিছে যে প্ৰাণীটো প্ৰায় ২.৫ মিটাৰ দীঘল আছিল। ইয়াৰ এডাল দীঘল নেগুৰ আছিল। পিঠিৰ কামিহাড়বোৰে এখন ফলকৰ আকৃতি লৈছিল। হয়তো ইয়াৰ পৰাই কাছৰ চলংখনৰ বিকাশ ঘটিছিল।

এনে তথ্যৰপৰা কিছুমান বিজ্ঞানীয়ে ক'ব খোজে যে কাছবোৰ আৰু সৰীসৃপবোৰ একেই পূৰ্বপুৰুষৰপৰা বিকশিত হোৱা। সেয়েহে উদ্ধাৰ হোৱা এই জীৱাশ্মৰ প্ৰাণীবিধক সৰীসৃপ আৰু উভচৰৰ মাজৰ সংযোগী জীৱ বুলি ক'ব খোজে। ❖

**টোকা** : *জীৱাশ্ম : মাটিৰ তলত থকা শিলৰ মাজত পোৱা পুৰণি দিনৰ জীৱৰ সাঁচ।*

# চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ ফল

**বগীজামু** : ইংৰাজী নাম : Java Plum/Malafar Plum
বৈজ্ঞানিক নাম : *Syzygium kurizii*



বগীজামু মধ্যম আকাৰৰ এবিধ চিৰসেউজীয়া বৃক্ষ। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ ঠাইতে এই ফলৰ গছ পোৱা যায়। বগীজামু ফলটো কেঁচা অৱস্থাত পাতল সেউজীয়া আৰু পকিলে কিছু বগা ৰং ধৰে। এই ফল খৰালি দিনতহে পূৰঠ হয়। মিঠা-সোৱাদযুক্ত এই ফলৰ ভিতৰভাগ বগা আৰু ৰসাল। বাকলিৰে সৈতে এই ফলটো খোৱা হয়, ইয়াৰ ভিতৰত এটা ঘূৰণীয়া গুটি থাকে। এসময়ত অসমৰ বেছিভাগ হাবিতে পোৱা বগীজামু গছ বৰ্তমান কম সংখ্যক লোকৰ বাৰীতহে দেখা পোৱা যায়।

**নুনি** : ইংৰাজী নাম : Mulberry/White mulberry, বৈজ্ঞানিক নাম : *Manus alba*

নুনি এবিধ মজলীয়া আকাৰৰ গছ। এই গছ অসমৰ প্ৰায় সকলো ঠাইতে পোৱা যায়। সাধাৰণতে বাম ঠাইত হোৱা এইবিধ গছ বৰ সোনকালে বাঢ়ে। নুনিগছ প্ৰায় ১৫ ফুট ওখ আৰু ইয়াৰ ফলটো দীঘলে প্ৰায় ২.৫ ছেণ্টিমিটাৰ। ফলটো নোমাল আৰু পকিলে ৰঙচুৱা আৰু পিছলৈ ক'লা ৰং লয়। ফলটো ৰসাল আৰু খালে জিভাত ৰং লাগে। এই গছৰ ফুল ফাগুন মাহত ফুলে আৰু ফলটো চ'ত-ব'হাগ মাহত পকে।

**পকমৌ** : ইংৰাজী নাম : Tomatillo, বৈজ্ঞানিক নাম : *Physalis philadephica*

পকমৌ এবিধ কোমল শাখা-প্ৰশাখা থকা লতাজাতীয় উদ্ভিদ। ঘাঁহনি, শাকনিবাৰী আদিত গজা পকমৌৰ পাতবোৰ আয়তাকাৰ। পাতৰ দৈৰ্ঘ্য ৭ ৰপৰা ৯ ছেণ্টিমিটাৰ আৰু বহল ৪ ৰপৰা ৫ ছেণ্টিমিটাৰ। ইয়াৰ ফলটো বেলুনৰ দৰে ফুলি থকা পাতল আৱৰণযুক্ত। আৱৰণৰ ভিতৰত বগৰীৰ নিচিনা গোলাকাৰ ফলটো পকিলে খোৱা হয়। পকিলে ফলটো হালধীয়া হয় আৰু ইয়াৰ সোৱাদ মিঠা। ❖

*উৎস : সাতসৰী*

# ভাৰতবৰ্ষৰ ৰপ্তানি ব্যৱস্থা

■ মন্দিৰা শৰ্মা




সাধাৰণ অৰ্থত বিভিন্ন দেশসমূহৰ মাজত হোৱা বাণিজ্যকেই বৈদেশিক বাণিজ্য বুলি কোৱা হয়। ইয়াক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য (International trade), আন্তঃ আঞ্চলিক বাণিজ্য (Inter-Regional trade) বা বহিৰ্বাণিজ্য (External trade) বুলিও কোৱা হয়। ৰপ্তানি, আমদানি আৰু পুনৰ ৰপ্তানি এই তিনি প্ৰকাৰে বৈদেশিক বাণিজ্য কৰা হয়।

ৰপ্তানিৰ ক্ষেত্ৰত ভাৰত বহুকাল আগৰপৰাই চহকী। ইউৰোপীয়সকল ভাৰতলৈ অহাৰ আগৰেপৰাই পৃথিৱীৰ বিভিন্ন দেশলৈ ভাৰতে ৰপ্তানি কৰিছিল। ৰপ্তানি দ্ৰব্যসমূহ আছিল প্ৰধানকৈ মণি-মুকুতা, মাৰ্বলেৰে তৈয়াৰী বস্তু, কাঁচৰ সামগ্ৰী, সোণ, ৰূপ, তামৰ আ-অলংকাৰ, নীল, বিবিধ মছলা, বোৱা কাপোৰ, ৰেছম ইত্যাদি।

১৯ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত বিশ্ব অৰ্থনীতিৰ প্ৰায় ২০ শতাংশ ভাৰতে দখল কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান ভাৰতৰ বৈদেশিক বাণিজ্য ‘বৈদেশিক বাণিজ্য নীতি’ৰ দ্বাৰা পৰিচালিত হয়। বৈদেশিক বাণিজ্য আইন, ১৯৯২ অনুসৰি ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ হাতত এই নীতিৰ ক্ষমতা ন্যস্ত কৰা হৈছে। উক্ত আইনখনৰ মতে ভাৰতৰপৰা জল, স্থল আৰু আকাশেদি ধনৰ বিনিময়ত দ্ৰব্যৰ স্থানান্তৰ কৰাৰ প্ৰক্ৰিয়াক ৰপ্তানি বোলা হয়।

ৰপ্তানিৰ পৰিসৰ অতি ব্যাপক আৰু যিকোনো বস্তু ভাৰতৰপৰা ৰপ্তানি কৰিবলৈ হ’লে বহু প্ৰস্তুতিৰ প্ৰয়োজন। ভাৰতৰপৰা কোনো দ্ৰব্য ৰপ্তানি কৰাৰ ক্ষেত্ৰত কেইটামান চৰ্ত পালন কৰাৰ লগতে কিছু নীতি-নিয়মো পালন কৰিবলগীয়া হয়—সেয়া এনে ধৰণৰ—

**১। প্ৰতিষ্ঠান প্ৰতিষ্ঠা :** ৰপ্তানিৰ বাবে প্ৰথমতে এখন প্ৰতিষ্ঠানৰ প্ৰয়োজন। প্ৰতিষ্ঠানখনক প্ৰতিনিধিত্ব কৰা এটা সাংকেতিক চিন আৰু এটা নাম থকাটো অতি প্ৰয়োজনীয়।

**২। বেংক একাউণ্ট :** বেংকত চলিত হিচাপৰ এটা একাউণ্ট থকাটো বাঞ্ছনীয় যাৰ দ্বাৰা সহজতে সংশ্লিষ্ট ৰাষ্ট্ৰৰ লগত মুদ্ৰাৰ বিনিময় কৰিব পাৰি।

**৩। স্থায়ী হিচাপ সংখ্যা** (Permanent Account Number, PAN) :ৰপ্তানি কৰা প্ৰতিষ্ঠানবিলাকৰ স্থায়ী হিচাপ সংখ্যা থকাটো বাধ্যতামূলক।

**৪। আমদানি-ৰপ্তানি সংকেত** (Importer-Exporter Code, IEC) : ইয়াক চমুকৈ আই ই চি (IEC) বোলে। ই হ’ল ৰপ্তানিৰ বাবে প্ৰয়োজনীয় ১০টা সংখ্যাৰ এটা সংকেত। এটা পানৰ (PAN) বিপৰীতে মাত্ৰ এটাহে আইইচি নম্বৰ দিয়া হয়। ভাৰতৰ বাণিজ্য মন্ত্ৰালয়ৰ অধীনৰ বৈদেশিক বাণিজ্য পৰিচালকৰপৰা আবেদনৰ জৰিয়তে এই নম্বৰ লাভ কৰিব পাৰি।

**৫। পঞ্জীয়ন আৰু সদস্যৰ প্ৰমাণ পত্ৰ** (Registration cum Membership Certificate) : বৈদেশিক বাণিজ্য নীতি ২০১৫-২০ৰ মতে, আমদানি বা ৰপ্তানিৰ ক্ষেত্ৰত সুবিধা, ৰেহাই আদি পাবলৈ পঞ্জীয়ন আৰু সদস্যৰ প্ৰমাণ পত্ৰ লাভ কৰিব লাগিব। ৰপ্তানি উন্নীতকৰণ পৰিষদে (Export Promotion Council) এই প্ৰমাণ পত্ৰ প্ৰদান কৰে।

**৬। দ্ৰব্যৰ বাছনি :** নিষিদ্ধ দ্ৰব্যৰ তালিকাত থকা দ্ৰব্যৰ বাহিৰে আন সকলোবোৰ দ্ৰব্য বিনা বাধাই ৰপ্তানি কৰিব পাৰি। ভাৰতৰ ৰপ্তানি পৰিদৰ্শন পৰিষদে দ্ৰব্যসমূহ বাছনি কৰি তাৰ বাবে প্ৰমাণ পত্ৰ প্ৰদান কৰে। ভাৰতৰপৰা কেনেধৰণৰ বস্তু ৰপ্তানি কৰা হয় বা কৰিলে

লাভ হয় তাৰ প্ৰতি সচেতন হ'লে ৰপ্তানিৰ ক্ষেত্ৰত লাভ অৰ্জন কৰিব পাৰি।

**৭। বজাৰ নিৰ্বাচন :** বজাৰৰ আকাৰ, প্ৰতিযোগিতা, চাহিদাৰ পৰিমাণ, পৰিশোধৰ ব্যৱস্থা আদি ভালদৰে বিশ্লেষণ কৰিহে বৈদেশিক বাণিজ্যৰ বজাৰ বাছনি কৰা হয়। ৰপ্তানিকাৰীয়ে বৈদেশিক বাণিজ্য নীতিৰ অন্তৰ্গত ৰপ্তানিৰ বিশেষ সুবিধা থকা দেশসমূহৰ বজাৰসমূহ ভালদৰে পৰ্যৱেক্ষণ কৰিব পাৰে। এই ক্ষেত্ৰত ৰপ্তানি উন্নীতকৰণ পৰিষদ (Export Promotion Agencies), বিদেশত থকা বিভিন্ন ভাৰতীয় সংস্থা আৰু বিদেশত থকা ভাৰতীয় মানুহেও সহায় কৰিব পাৰে।

**৮। ক্ৰেতাৰ বাছনি :** ক্ৰেতা-বিক্ৰেতাৰ সাক্ষাৎ, বাণিজ্য মেলাত অংশগ্ৰহণ, প্ৰদৰ্শন, ইণ্টাৰনেট আদিৰ জৰিয়তে ক্ৰেতা বিচৰা হয়। ৰপ্তানি উন্নীতকৰণ পৰিষদ, বিভিন্ন বাণিজ্য সভা আদিৰ জৰিয়তেও ক্ৰেতাৰ বাছনি কৰা হয়। বিভিন্ন ভাষাত ৱেবছাইট নিৰ্মাণ কৰি তাত দ্ৰব্যসমূহৰ তালিকা, দৰ, পৰিশোধৰ নীতি-নিয়ম আৰু আন তথ্যসমূহ সন্নিৱিষ্ট কৰিব পাৰি যাতে পৃথিৱীৰ যিকোনো দেশৰ মানুহে সহজতে দ্ৰব্যসমূহৰ বিষয়ে জানিব পাৰে।

**৯। নমুনা :** বিদেশৰ ক্ৰেতাক আকৰ্ষণ কৰিবলৈ ৰপ্তানি কৰিবলগীয়া দ্ৰব্যৰ নমুনা দিয়া হয় যাৰ ফলত ৰপ্তানি দ্ৰব্যসমূহৰ চাহিদা বৃদ্ধি হয়। বৈদেশিক বাণিজ্য নীতি ২০১৫-২০ৰ (Foreign Trade Policy, 2015-20) মতে মুক্ত বাণিজ্যিক দ্ৰব্যৰ কাৰিকৰী নমুনা কোনো সীমাৰ বাধা নোহোৱাকৈ দিব পাৰি।

**১০। দৰ নিৰ্ধাৰণ :** আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি দ্ৰব্যৰ দৰ নিৰ্ধাৰণ কৰাটো কঠিন কাম। ৰপ্তানি দ্ৰব্যসমূহে ক্ৰেতাৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে দ্ৰব্যসমূহৰ বিক্ৰীও বৃদ্ধি হ'ব লাগিব। দৰ নিৰ্ধাৰণ কৰোঁতে দ্ৰব্যটোৰ সকলো ধৰণৰ খৰচ সামৰি ল'ব লাগে। প্ৰতিটো ৰপ্তানি দ্ৰব্যৰ ৰপ্তানি ব্যয়ৰ তালিকা প্ৰস্তুত কৰাটো ৰপ্তানি প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ অংশ।

**১১। ৰপ্তানি ঋণ নিশ্চিতকৰণ নিগম** (Export Credit Guarantee Corporation) : আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত দ্ৰব্যৰ মূল্য আদায়ৰ ক্ষেত্ৰত বিপদৰ আশংকা থাকে। এই বিপদৰ কথা লক্ষ্য কৰিয়েই ৰপ্তানি ঋণ নিশ্চিতকৰণ নিগম গঠন কৰা হৈছে। এই নিগমে ৰপ্তানি কৰোঁতাক দ্ৰব্য মূল্য আদায়ৰ ক্ষেত্ৰত সহায় আগবঢ়ায়। ই কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত এক সংস্থা।

উল্লিখিত চৰ্ত, বাধা নিষেধ, নীতি-নিয়ম পালন কৰি তথা চৰকাৰৰ সহযোগেৰে ভাৰতৰপৰা ৰপ্তানি কাৰ্য সম্পাদন কৰা হয়। বৰ্তমান ভাৰতৰপৰা লো, তীখা, জৈৱ ৰাসায়নিক দ্ৰব্য, চাহ, মূল্যবান ধাতু, পাথৰ, খনিজ দ্ৰব্য, দৰৱ আদি প্ৰচুৰ পৰিমাণে ৰপ্তানি হৈ আছে। ❖

## চুড'কু জুন, ২০১৯ৰ শুদ্ধ উত্তৰ দিওঁতাসকল

**চতুৰ্থ শ্ৰেণী :** বাগ্মিতা শৰ্মা (ক), তৃষ্ণা শৰ্মা (গ), চব্ৰিনা ৰহমান (গ), ঋষিকেশ শৰ্মা (গ), তৃষ্ণা শৰ্মা (গ)

**পঞ্চম শ্ৰেণী :** আদিত্য কাশ্যপ (খ), অবিনাশ কলিতা (খ), মধুস্মিতা দাস (গ), জ্যোতিস্মান দাস (খ), চন্দামিতা শৰ্মা (খ)।

**ষষ্ঠ শ্ৰেণী :** হৃদয়জ্যোতি ৰাজবংশী (খ), বেদান্ত শৰ্মা (ঘ), সুমন কাকতি (খ), শ্ৰুতি কলিতা (ক), ৰণভ কৃষ্ণ পাঠক (গ), গীতাৰ্থ শৰ্মা (গ), প্ৰাৰ্থনা শৰ্মা (ঘ), লয়ল ৰঞ্জন শইকীয়া (ঘ)।

**সপ্তম শ্ৰেণী :** ডেনিচ তহবিলদাৰ (ঘ), শিৱাংগী বেজবৰুৱা (খ), মৃগাংকন বেজবৰুৱা (ঘ), হিয়াশ্ৰী দাস (খ), মৃন্ময় নাথ (খ)।

**অষ্টম শ্ৰেণী :** মানস প্ৰতিম ডেকা (গ), সুপ্ৰিয়া গোস্বামী (ঘ), ৰক্তিম অভিনন্দন বৰ্মন (খ), ৰীচিতা কাশ্যপ (খ), মাধুৰ্য জয়ন্ত কলিতা (ক)।

**নৱম শ্ৰেণী :** মহাশ্ৰমণ শৰ্মা বৰদলৈ (ঘ), জ্যোতিষ্মান শইকীয়া (ঘ), বিশাল কলিতা (ঘ)।

**দশম শ্ৰেণী :** সিদ্ধাৰ্থ দত্ত (ক)। ❖

## কুইজ

১। বিশ্বকাপৰ চাৰিখন ফাইনেল খেলা একমাত্ৰ খেলুৱৈজন কোন?

২। ১৯৮৭ চনত অৱসৰ লোৱা খেলুৱৈগৰাকীয়ে ১৯৮৮ চনত উভতি আহিছিল আৰু পৰৱৰ্তী সময়ত দলক নেতৃত্ব দি বিশ্বকাপ জয় কৰিছিল। তেওঁ কোন?

৩। ১৯৯২ চনৰপৰা ২০০৭ চন পৰ্যন্ত বিশ্বকাপৰ ৫ খন ফাইনেলত একেৰাহে আম্পায়াৰ হিচাপে অংশগ্ৰহণ কৰা একমাত্ৰ ব্যক্তিজন কোন?

৪। 'Eurythmics'ৰ ডেভ ষ্টিৱাৰ্টৰ 'All over the World' শীৰ্ষক গীতটিৰ বিশেষত্ব কি?

৫। ২০১১ চনৰ আই চি চি বিশ্বকাপৰ ব্ৰেণ্ড এম্বেছাদৰৰূপে কাক নিৰ্বাচন কৰা হৈছিল?

৬। ২০০৩ চনৰ ক্ৰিকেট বিশ্বকাপত শ্ৰীলংকাৰ বলাৰ চামিণ্ডা ভাছে গঢ়া অভিলেখটো কি?

৭। ১৯৭৫ চনৰ প্ৰথম বিশ্বকাপত টেষ্ট নেখেলা দুখন দেশে অংশ লৈছিল। এখন হৈছে শ্ৰীলংকা। আনখন কি আছিল?

৮। ১৯৯৬ চনৰ বিশ্বকাপৰ সৈতে 'PILCom' বিশেষভাৱে জড়িত। 'PILCom' কি?

৯। ১৯৭৫ চনৰ ৭ জুনত ঐতিহাসিক লৰ্ডচ ক্ৰিকেট গ্ৰাউণ্ডত ভাৰতৰ বিৰুদ্ধে বিশ্বকাপৰ ইতিহাসৰ প্ৰথমখন মেচত ইংলেণ্ডৰ ডেনিছ এমিছে (Denis Amiss) ১৪৭টা বলত ১৩৭ ৰাণ কৰিছিল। সেই শতৰাণৰ বিশেষত্ব কি?

১০। প্ৰথম বিশ্বকাপত অংশগ্ৰহণকাৰী কোনখন দেশৰ অধিনায়কগৰাকী (হৰিলাল শ্বাহ) আছিল ভাৰতীয় মূলৰ?

১১। ১৯৮৭ চনৰ বিশ্বকাপত নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ সুনীল গাভাস্কাৰে তেওঁৰ কেৰিয়াৰৰ একমাত্ৰ এদিনীয়া শতৰাণটো অৰ্জন কৰিছিল। সেই মেচখনত আৰু এগৰাকী ভাৰতীয়ই ইতিহাস সৃষ্টি কৰিছিল। তেওঁ কোন?

১২। ২০১৮ বৰ্ষৰ বাবে যদি 'Yoga for peace' হয় তেন্তে ২০১৯ বৰ্ষৰ বাবে কি হ'ব?

১৩। 'আনহেপী ইণ্ডিয়া', ইয়ং ইণ্ডিয়া আৰু ইংলেণ্ড'চ ডেব্‌ট টু ইণ্ডিয়া—এই গ্ৰন্থকেইখন কোনগৰাকী স্বাধীনতা সংগ্ৰামীয়ে লিখিছিল?

১৪। ১৯২৮ চনত মোহনলাল দয়ালে কোনটো বিখ্যাত কোম্পানীৰ আৰম্ভণি কৰিছিল?

১৫। ১৯৩২ চনৰ অলিম্পিকত ভাৰতে হকীত আমেৰিকাক ২৪-১ গ'লত পৰাস্ত কৰিছিল। সেই মেচখনত কোনগৰাকী ভাৰতীয়ই সৰ্বাধিক (দহ) গ'ল দিছিল?

১৬। 'পম'লজী'ত যদি ফলৰ বিষয়ে কৰা অধ্যয়ন হয়, 'ভেক্সিল'লজী'ত যদি পতাকাৰ বিষয়ে কৰা অধ্যয়ন হয়, তেন্তে 'নিউমিজমেটিক্‌ছ' (numismatics)ত কিহৰ বিষয়ে অধ্যয়ন কৰা হয়?

১৭। ২০১১ চনৰ বিশ্বকাপ ক্ৰিকেটত কোনগৰাকী বেটছমেনে ইনিংছৰ প্ৰথম বলতেই বাংলাদেশ, ইংলেণ্ড, আয়াৰলেণ্ড, নেদাৰলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে বাউণ্ডেৰী কোবাই চমক দিছিল?

১৮। কোনগৰাকী প্ৰখ্যাত সাহিত্যিকৰ আত্মজীৱনীখনৰ নাম 'Lone Fox Dancing'?

১৯। চলিত বৰ্ষৰ এমনেষ্টী ইণ্টাৰনেছনেলৰ 'Ambassador of Conscience' বঁটা কাক আগবঢ়োৱা হৈছে? ❖

■ **সংগ্ৰহ : হিৰণ্য কলিতা**

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (জুন)

১। মণ্টেনেগ্ৰো।

২। মোজাম্বিক (Mozambique)।

৩। কানহা ৰাষ্ট্ৰীয় উদ্যান।

৪। বুজকাছি।

৫। কেপ্টেইন হকিন্স।

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৩১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | | | 1 | | 4 | | 7 | |
| 8 | | 7 | | 2 | | 3 | | 4 |
| | 5 | 4 | | 8 | | | 1 | |
| | 6 | | | 1 | 2 | | 4 | |
| 4 | | 2 | 8 | | | 9 | | |
| | 9 | | | 3 | | 6 | | 2 |
| 1 | | 5 | | | 8 | | | 9 |
| | 4 | | 3 | | 9 | | | 8 |
| 7 | | 9 | | 6 | | 4 | | 3 |

## চুড'কু ১৩২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 3 | | | 7 | | 9 | | 2 |
| 6 | | | 1 | | 5 | | 4 | |
| 1 | | 8 | | | 2 | | | 7 |
| | | 9 | 7 | | 1 | | 2 | |
| 4 | | | 8 | | | 7 | 9 | 1 |
| 7 | 1 | | | 2 | 4 | | | 6 |
| | 6 | | 5 | | | 2 | | 4 |
| 2 | | 7 | | 1 | | | 3 | 5 |
| 3 | | 5 | 2 | | 6 | | 7 | |

## চুড'কু ১২৯ আৰু ১৩০ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 7 | 9 | 3 | 1 | 6 | 8 | 2 | 5 |
| 8 | 6 | 2 | 4 | 5 | 9 | 7 | 3 | 1 |
| 3 | 1 | 5 | 8 | 2 | 7 | 6 | 4 | 9 |
| 9 | 3 | 8 | 2 | 4 | 5 | 1 | 6 | 7 |
| 5 | 4 | 1 | 6 | 7 | 8 | 3 | 9 | 2 |
| 7 | 2 | 6 | 9 | 3 | 1 | 5 | 8 | 4 |
| 2 | 9 | 7 | 5 | 6 | 3 | 4 | 1 | 8 |
| 6 | 5 | 4 | 1 | 8 | 2 | 9 | 7 | 3 |
| 1 | 8 | 3 | 7 | 9 | 4 | 2 | 5 | 6 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 9 | 8 | 7 | 4 | 3 | 2 | 6 | 1 |
| 1 | 4 | 3 | 8 | 6 | 2 | 9 | 7 | 5 |
| 2 | 7 | 6 | 5 | 1 | 9 | 4 | 8 | 3 |
| 8 | 1 | 2 | 4 | 5 | 6 | 7 | 3 | 9 |
| 9 | 3 | 5 | 2 | 7 | 8 | 6 | 1 | 4 |
| 7 | 6 | 4 | 9 | 3 | 1 | 5 | 2 | 8 |
| 6 | 5 | 9 | 3 | 8 | 7 | 1 | 4 | 2 |
| 3 | 2 | 7 | 1 | 9 | 4 | 8 | 5 | 6 |
| 4 | 8 | 1 | 6 | 2 | 5 | 3 | 9 | 7 |

# বিয়েৰ গ্ৰীলছ্

■ বনালী বৰুৱা কাশ্যপ



দুঃসাহসিক অভিযানৰ বাবে বিখ্যাত ব্যক্তিসকলৰ ভিতৰত এজন অন্যতম ব্যক্তি হ'ল বিয়েৰ গ্ৰীলছ (Bear Grylls)। দুঃসাহসিক অভিযানকাৰী হোৱাৰ উপৰি তেওঁ এজন সেনাবাহিনীৰ কৰ্মকৰ্তা, লেখক, সমাজকৰ্মী আৰু প্ৰেৰণাদায়ী বক্তা। বিয়েৰ গ্ৰীলছৰ জন্ম হৈছিল ১৯৭৪ চনৰ ৭ জুনত উত্তৰ আয়াৰলেণ্ডৰ কাউণ্টি ডাউনৰ (County Down) ড'নাঘাদীত (Donaghadee)। তেওঁৰ প্ৰকৃত নাম এডৱাৰ্ড মাইকেল গ্ৰীলছ (Edward Michale Grylls)। তেওঁক এই বিয়েৰ নামটো দিছিল তেওঁৰ একমাত্ৰ বায়েক লাৰাই (Lara)। তেওঁৰ পিতৃৰ নাম ছাৰ মাইকেল গ্ৰীলছ (Sir Michael Grylls) আৰু মাতৃৰ নাম লেডী ছাৰা গ্ৰীলছ (Lady Sarah Grylls)।

তেওঁ একেবাৰে সৰু থাকোঁতেই দেউতাকৰ সৈতে গছ বগাবলৈ আৰু সাঁতুৰিবলৈ শিকিছিল। কিশোৰ অৱস্থাতে তেওঁ স্কাইডাইভ (Sky dive) কৰিবলৈ শিকিছিল আৰু চ'টকান কেৰাটেত ব্লেক বেল্ট লাভ কৰিছিল। তেওঁ ইংৰাজী, স্পেনিচ আৰু ফৰাচী ভাষা সলসলীয়াকৈ ক'ব পাৰে।

গ্ৰীলছে তেওঁৰ প্ৰাথমিক শিক্ষা ইটন হাউছৰ (Eaton House) ল'ডগ্ৰোভ স্কুলত (Ludgrove school) গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ইটন কলেজ, ইউনিভাৰ্চিটি অব ৱেষ্ট অব ইংলেণ্ড (University of West of England) আৰু লণ্ডন বিশ্ববিদ্যালয়ৰপৰা উচ্চ শিক্ষা গ্ৰহণ কৰে।

ছাত্ৰ জীৱন সমাপ্ত কৰাৰ পিছত ১৯৯৪ চনৰপৰা ১৯৯৭ চনলৈ তেওঁ ব্ৰিটিছ সেনা বাহিনীৰ হৈ কাম কৰিছিল। ২০০৪ চনত তেওঁ লেফ্টেনেণ্ট কমাণ্ডাৰৰ পদবী লাভ কৰে আৰু ২০১৩ চনত পদোন্নতি লাভ কৰি লেফটেনেণ্ট কৰ্ণেল পদবী লাভ কৰে।

দুঃসাহসিক অভিযানৰ প্ৰতি বিয়েৰৰ আকৰ্ষণ আছিল সৰুৰেপৰাই। তেওঁৰ এটা সপোন আছিল এভাৰেষ্ট শৃংগ আৰোহণ কৰা। তেওঁৰ এই সপোন পূৰ্ণ হৈছিল ১৯৯৮ চনৰ ১৬ মে'ত। মাউণ্ট এভাৰেষ্ট জয় কৰাৰ ১৮ মাহমান আগতে এটা পেৰাচুটিং দুৰ্ঘটনাত তেওঁৰ ৩ ডাল কামিহাড় ভাগিছিল। এভাৰেষ্ট জয় কৰাৰ সময়ত তেওঁৰ বয়স আছিল ২৩ বছৰ।

এবাৰ তেওঁৰ এজন বন্ধুৰে পৰ্বত আৰোহণৰ সময়ত দুৰ্ঘটনাত পতিত হৈ এখন ভৰি হেৰুৱাব লগা হৈছিল আৰু সেই বন্ধুজনৰ সহায়ৰ বাবে ধন সংগ্ৰহ কৰিবলৈ তেওঁ এখন ঘৰতে সজা নাৱেৰে টেমছ নদী পাৰ হৈছিল।

এবাৰ তেওঁ পাঁচজন বন্ধুৰে সৈতে এখন সাধাৰণ নাৱত উঠি কোনো সাৱধানতা নোলোৱাকৈ উত্তৰ আটলাণ্টিক পাৰ হৈছিল।

২০০৫ চনত তেওঁ মুক্ত আকাশত প্ৰায় ২৫,০০০ ফুট ওপৰত কেইজনমান সহযোগীৰ সৈতে নৈশ ভোজন কৰিছিল। ইয়াৰ অনুশীলনৰ বাবে বিয়েৰে ২০০ তকৈয়ো অধিকবাৰ পেৰাচুটৰ সহায়ত বহু উচ্চতাত আকাশীযানৰপৰা জঁপিয়াবলগীয়া হৈছিল।

২০০৭ চনত বিয়েৰে সাগৰপৃষ্ঠৰপৰা ১৪,৫০০ ফুট উচ্চতাত থকা এখন ঠাইৰপৰা পেৰামটৰিঙৰ সহায়ত ২৯,৫০০ ফুটলৈ আৰোহণ কৰিছিল য'ত উষ্ণতা আছিল প্ৰায় -৬০° ছেলছিয়াছ। এই অভিযানটো ডিস্কভাৰী চেনেল আৰু চেনেল ৪ত (Channel 4 in U.K.) দেখুওৱা হৈছিল।

'চিলড্ৰেন চেৰেটি গ্ল'বৈল এঞ্জেল' নামে এটা সংস্থাক সহায় কৰিবলৈ গ্ৰীলছে ২০০৮ চনত চাৰিজনীয়া দলৰ দলপতি হৈ সাধাৰণতে কোনেও জয় নকৰা এণ্টাৰ্কটিকাৰ এটা শৃংগত আৰোহণ কৰিছিল।

এনে বহু অভিজ্ঞতাৰে পুষ্ট বিয়েৰে তেওঁৰ অভিজ্ঞতা বৰ্ণনা কৰি কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে।

বিয়েৰ গ্ৰীলছৰ প্ৰথমখন কিতাপ হ'ল দ্য কিড হু ক্লাইম্বড এভাৰেষ্ট (The Kid Who Climed Everest)। এই কিতাপখনত তেওঁ মাউণ্ট এভাৰেষ্ট যাত্ৰাৰ সময়ত ঘটা ঘটনাৰাজি আৰু উপলব্ধিৰ বিষয়ে বৰ্ণনা কৰিছে। তেওঁৰ দ্বিতীয়খন কিতাপ হ'ল ফেচিং দ্য ফ্ৰ'জেন ওচেন (Facing the Frozen Ocean)। তাৰ পিছত তেওঁ বৰ্ন চাৰ্ভাইভৰ (Born Survivor) নামৰ দূৰদৰ্শনৰ এখন ধাৰাবাহিক নিৰ্মাণ কৰাৰ বাবে একে নামৰ এখন গ্ৰন্থ ৰচনা কৰে। তদুপৰি তেওঁ তেওঁৰ বিভিন্ন অভিযানবোৰৰপৰা হোৱা অনুভৱবোৰ বৰ্ণনা কৰি বিয়েৰ গ্ৰীলছ আউটড'ৰ এডভেঞ্চাৰছ (Bear Grylls' Outdoor Adventures) নামেৰে এখন গ্ৰন্থ ৰচনা কৰে। ২০১২ চনত তেওঁৰ আত্মজীৱনী মাড ছুয়েট এণ্ড টিয়েৰ (Mud, Sweat and Tear) আৰু এ ছাৰভাইভেল গাইড ফৰ লাইফ (A Survival Guide for Life) নামেৰে দুখন গ্ৰন্থ প্ৰকাশ পায়। ২০১৩ চনত তেওঁৰ মিছন ছাৰভাইভেল নামেৰে এলানি গ্ৰন্থও প্ৰকাশ পায়।

বিয়েৰ গ্ৰীলছে টেলিভিছন জগতত যাত্ৰা আৰম্ভ কৰে এক বিজ্ঞাপনৰ জৰিয়তে। 'ফ্ৰাইডে নাইট উইথ জনাথন ৰ'ছ', ডা অপৰাহ ৱিনফ্ৰে শ্বো' (The Oprah Winfrey show), 'লেট নাইট উইথ কানান অ' ব্ৰায়েন' আদি বিভিন্ন জনপ্ৰিয় বাৰ্তালাপ অনুষ্ঠানলৈ তেওঁ আমন্ত্ৰিত হৈছিল। বিয়েৰ গ্ৰীলছ অধিক জনপ্ৰিয় হৈ পৰে 'মেন ভাৰচেচ ওৱাইল্ড (Man Vs Wild) নামৰ দুঃসাহসিক অভিযানমূলক ধাৰাবাহিকখনৰ যোগেদি। দুৰ্গম ঠাই, প্ৰতিকূল পৰিস্থিতিত নিজকে কেনেকৈ ৰক্ষা কৰিব লাগে তাৰেই বাস্তৱ বৰ্ণনা আছে এই ধাৰাবাহিকখনত।

ইয়াৰ উপৰি তেওঁৰ আন কেইখনমান জনপ্ৰিয় ধাৰাবাহিক হ'ল ৱৰ্ষ্ট কেচ চিনাৰিঅ' (Worst Case Scenario), বিয়েৰছ ৱাইল্ড উইকেণ্ড (Bears Wild Weekend) আদি। ৰানিং ৱাইল্ড উইথ বিয়েৰ গ্ৰীলছ (Running Wild with Bear Grylls) তেওঁৰ এখন বিশেষ ধাৰাবাহিক। এই ধাৰাবাহিকখনত একো একোটা খণ্ডৰ দুঃসাহসিক যাত্ৰাৰ সংগী আছিল বাৰাক ওবামা, কেট উইন্সলেট আদিৰ দৰে প্ৰখ্যাত ব্যক্তি।

দুঃসাহসিক অভিযান আৰু ক্ৰীড়াক এক অনন্য মাত্ৰা প্ৰদান কৰা গ্ৰীলছ এগৰাকী ভাল বক্তাও। দেশ-বিদেশৰ বিভিন্ন ঠাইত বক্তৃতা প্ৰদান কৰি তেওঁ ইতিমধ্যে এগৰাকী প্ৰেৰণাদায়ী বক্তা হিচাপে খ্যাতি লাভ কৰিছে। ❖

# কুইজৰ উত্তৰসমূহ

১) ৰিকি পন্টিং (১৯৯৬, ১৯৯৯, ২০০৩, ২০০৭)। ২) ইমৰান খান (১৯৯২ চনৰ বিশ্বকাপ বিজয়ী পাকিস্তান ক্ৰিকেট দলৰ তেওঁ নেতৃত্ব বহন কৰিছিল)। ৩) ষ্টীভ বাকনাৰ। তেওঁৰ আম্পায়াৰ হিচাপে ৫ খন ফাইনেল পৰিচালনা কৰিছিল। ৪) সেইটো হৈছে বিশ্বকাপ ক্ৰিকেটৰ প্ৰথমটো অ'ফিচিয়েল গীত (১৯৯৯ চনৰ বিশ্বকাপত)। ৫) শচীন তেণ্ডুলকাৰ। ৬) তেওঁ উক্ত বিশ্বকাপত বাংলাদেশৰ বিৰুদ্ধে এখন মেচত ৫টা বলত ৪টা উইকেট দখল কৰিছিল। তাৰ ভিতৰত মেচখনৰ প্ৰথম তিনিটা বলত তিনিটা উইকেট দখলৰো অনন্য অভিলেখ তেওঁ গঢ়িছিল। ৭) ইষ্ট আফ্ৰিকা। ৮) Pakistan, India, Lanka Committee। সেইবাৰৰ বিশ্বকাপ আয়োজক কমিটিখনৰ নাম। ৯) সেইটো আছিল বিশ্বকাপৰ ইতিহাসৰ প্ৰথমটো শতৰাণ। ১০) ইষ্ট আফ্ৰিকা। ১১) চেতন শৰ্মা। বিশ্বকাপৰ ইতিহাসত ভাৰতৰ হৈ প্ৰথম হেটট্ৰিক অৰ্জন। ১২) Yoga for heart (আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ থীম)। ১৩) লালা ৰাজপত ৰায়। ১৪) পাৰ্লে (Parle)। ১৫) ৰূপ সিং। ১৬) মুদ্ৰাৰ বিষয়ে। ১৭) বীৰেন্দ্ৰ ছেহৱাগ। ১৮) ৰাস্কিন বণ্ড। ১৯) 'Friday for future' আন্দোলনৰ জৰিয়তে বিশ্বজুৰি প্ৰসিদ্ধি লাভ কৰা 'গ্ৰেটা থানবাৰ্গ'লৈ এই বঁটা আগবঢ়োৱা হৈছে। ❖

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. তলৰ সংখ্যাকেইটাত এনে কিমানটা 7 আছে যাৰ পূৰ্বৱৰ্তী সংখ্যাটো এটা যুগ্ম সংখ্যা আৰু পৰৱৰ্তী সংখ্যাটো এটা অযুগ্ম সংখ্যা?

   6, 3, 7, 5, 6, 7, 5, 9, 4, 3, 7, 2, 7, 3, 4, 5, 8, 7, 6, 5, 4, 7, 1, 6, 7, 4, 9, 7, 6

   a) 2 b) 3 c) 4 d) 5

2. তলৰ আখৰবোৰৰ ভিতৰত এনে কিমানটা P আছে যাৰ আগৰটো আখৰ এটা স্বৰবৰ্ণ বা পিছৰটো আখৰ এটা ব্যঞ্জনবৰ্ণ?

   L, M, X, P, K, O, P, A, B, C, P, D, H, I, P, G, S, K, U, P, E, X, V, M, P, N, S, K, P, A, W, P, E

   a) 6 b) 5 c) 8 d) 1

3. ধৰা হ'ল 'সকলো কিতাপেই গছ' আৰু 'সকলো গছেই বাঘ' এই দুয়োটা উক্তিয়েই সত্য। এতিয়া তলৰ সিদ্ধান্তকেইটা পঢ়া।

   1. সকলো কিতাপেই বাঘ
   2. সকলো বাঘেই কিতাপ
   3. সকলো গছেই কিতাপ
   4. কিছুমান বাঘ কিতাপ

   ওপৰৰ কোনকেইটা সিদ্ধান্ত সত্য?

   a) 2 আৰু 3 b) 1 আৰু 4 c) এটাও সত্য নহয় d) আটাইকেইটা সত্য

4. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

   17, 13, 11, 7, 5, ?

   a) 0 b) 1 c) 2 d) 3

5. যদি এটা সংকেতত 'TODAY'ক 'UQECZ বুলি কোৱা হয়, তেন্তে সেই সংকেতত 'BEFORE' শব্দটোক কি বুলি কোৱা হ'ব?

   a) CCBHIG b) HIJQSG c) CGGQSG d) CPSSFG

6. '?' চিনৰ ঠাইত কি বহিব?

   A3E, F5J, K7O, ?

   a) Q11T b) Q9V c) P9T d) P11T

7. তলৰ অনুক্ৰমটোৰ কোনটো সংখ্যা অমিল?

   232, 343, 454, 564, 676

   a) 676 b) 454 c) 343 d) 564

| **উত্তৰসমূহ :** | 1. b | 2. a | 3. b | 4. b | 5. c | 6. c | 7. d |
|---|---|---|---|---|---|---|---|

# গিৰীশ কাৰ্ণাড : এটা যুগৰ অৱসান

■ অপৰ্ণা দেৱী



ভাৰতৰ সাংস্কৃতিক জগতখনৰ এগৰাকী জ্ঞানী তথা প্ৰতিভাধৰ ব্যক্তি আছিল গিৰীশ কাৰ্ণাড। অভিনয়, পৰিচালনা আদিৰ উপৰি সাহিত্যৰ ক্ষেত্ৰতো তেওঁ অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় দিছিল। ইয়াৰ স্বীকৃতি স্বৰূপে কাৰ্ণাডক ভাৰতবৰ্ষৰ সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছিল।

মহাৰাষ্ট্ৰৰ মাথেৰাণত ১৯৩৮ চনৰ ১৯ মে' তাৰিখে জন্মগ্ৰহণ কৰা গিৰীশ কাৰ্ণাডে প্ৰাথমিক শিক্ষা লাভ কৰে কৰ্ণাটকত। পৰৱৰ্তী সময়ত অংক আৰু পৰিসংখ্যা বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰা কাৰ্ণাডে অক্সফ'ৰ্ডৰ মেগডালেন কলেজৰপৰা দৰ্শন, ৰাজনীতি বিজ্ঞান আৰু অৰ্থবিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেওঁ অক্সফ'ৰ্ড ইউনিয়নৰ সভাপতিও নিৰ্বাচিত হয়। পিছলৈ তেওঁ চেন্নাইত অক্সফ'ৰ্ড ইউনিভাৰ্চিটি প্ৰেছত সাত বছৰ ধৰি সেৱা আগবঢ়ায়। চিকাগো বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক হিচাপে নিযুক্তি পোৱা কাৰ্ণাডে নিজ দেশৰ সাংস্কৃতিক জগতখনৰ প্ৰতি থকা আকৰ্ষণ আৰু অনুৰাগৰ বাবেই দেশলৈ প্ৰত্যাগমন কৰে। তাৰ পিছতেই আৰম্ভ কৰে তেওঁৰ সাংস্কৃতিক যাত্ৰা। সেই সাংস্কৃতিক যাত্ৰাৰ সহচৰ আছিল মঞ্চ, শিল্প সাহিত্য, ছবি ইত্যাদি।

গিৰীশ কাৰ্ণাডে ইউ. আৰ. অনন্তমূৰ্তিৰ 'সংস্কাৰ' ছবিৰ জৰিয়তে অভিনয় জগতত প্ৰৱেশ কৰিছিল। তাৰ পাছত তেওঁ আৰু পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাছিল। পৰৱৰ্তী সময়ত তেওঁ মন্থন, মিনছাৰা কানাভু, হে ৰাম, চাইনা গেট, কান্ধালান, নিশান্ত, পুকাৰ, এক্ থা টাইগাৰ, টাইগাৰ জিন্দা হে আদি ছবিত দুৰ্দান্ত অভিনয় প্ৰদৰ্শন কৰিছিল। হিন্দী আৰু কন্নড়ৰ লগতে অসমীয়াকে ধৰি বিভিন্ন আঞ্চলিক ভাষাৰ ছবিত গিৰীশ কাৰ্ণাডে অভিনয় কৰি থৈ গৈছে। জাহ্নু বৰুৱাৰ অপৰূপা ছবিত মি. খান্নাৰ চৰিত্ৰত তেওঁ কৰা বলিষ্ঠ অভিনয়ৰ কথা আজিও স্মৰণীয়। ৰূপালী পৰ্দাতে তেওঁ তেওঁৰ অভিনয় সীমাবদ্ধ কৰি ৰখা নাছিল। টেলিভিচনৰ 'মালগুৰি ডেইজ্', 'ইন্দ্ৰধনুচ' আদি ধাৰাবাহিকতো সুন্দৰ অভিনয়েৰে গিৰীশ কাৰ্ণাডে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। এগৰাকী ভাষ্যকাৰ (anchor) হিচাপেও কাৰ্ণাড জনপ্ৰিয়। সেই জনপ্ৰিয়তাৰ স্বাক্ষৰ বহন কৰিছে বিজ্ঞানভিত্তিক ধাৰাবাহিক টাৰ্নিং পইণ্টে।

গিৰীশ কাৰ্ণাডে অকল ছবি বা টেলিভিছনত অভিনয় কৰিয়েই ক্ষান্ত থকা নাছিল। ছবি পৰিচালনা, ছবি নিৰ্মাণৰ দৰে গুৰুত্বপূৰ্ণ কামতো সমানে দক্ষতা প্ৰদৰ্শন কৰিছিল। উৎসৱ, গধূলি, কাড়ু ইত্যাদি হ'ল তেওঁ পৰিচালনা কৰা কেইখনমান উল্লেখযোগ্য ছবি।

এগৰাকী নাট্যকাৰ হিচাপে পৰিচিত গিৰীশ কাৰ্ণাডে যযাতি, হাস্যবদন, টোঘলক আদিকে ধৰি কে'বাখনো ৰসোত্তীৰ্ণ নাট ৰচনা কৰিছে। উল্লেখযোগ্য, ১৯৬১ চনতে লিখা যযাতি নাটখনিৰ জৰিয়তে তেওঁ অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰপৰা সন্মানিত হৈছিল। তেওঁৰ 'ৰক্ষা টাংগাডি' শীৰ্ষক নাটখনি যোৱা বছৰ প্ৰকাশ হৈছে। নাটকখনৰ পটভূমি হৈছে ষষ্ঠদশ শতিকাৰ বিজয়নগৰ সাম্ৰাজ্য (এতিয়াৰ কৰ্ণাটক)। নাটকখনত ঘাইকৈ বিজয়নগৰৰ ৰজা আলিয়া ৰামৰায় আৰু দাক্ষিণাত্যৰ বাকী ৰাজ্যসমূহৰ সন্মিলিত শক্তিৰ লগত হোৱা সংঘৰ্ষ বৰ্ণনা কৰা হৈছে।

## শ্ৰদ্ধাঞ্জলি

ছবি আৰু মঞ্চ জগতৰ মহীৰূহ স্বৰূপ গিৰীশ কাৰ্ণাডৰ চিন্তাশীল লেখা, প্ৰতিবাদী কণ্ঠই তেওঁক জনসাধাৰণৰ ওচৰ চপাই নিয়াত সহায় কৰিছিল। স্পষ্টবাদিতা আৰু নিৰ্ভীকতাই গিৰীশ কাৰ্ণাডক আগবঢ়াই লৈ গৈছিল। মৃত্যুৰ পূৰ্বে পুত্ৰৰ আগত কাৰ্ণাডে মনৰ কথা ব্যক্ত কৰিছিল যে অতি অনানুষ্ঠানিকভাৱে যেন তেওঁক শেষ বিদায় জনোৱা হয়। মৃতদেহ লৈ শোভাযাত্ৰা অথবা মৃতদেহ ফুলেৰে সজ্জিত কৰাৰপৰাও যেন বিৰত থাকে। তেওঁৰ ইচ্ছা অনুযায়ীয়েই তেওঁৰ পৰিয়াল আৰু গুণমুগ্ধসকলে শেষ বিদায় জনালে।

বেংগালুৰুৰ লাভেলী ৰোডৰ নিজ বাসভৱনত জুন মাহৰ ১০ তাৰিখে চিৰ বিদায় লোৱা গিৰীশ কাৰ্ণাডৰ বৰ্ণিল জীৱন প্ৰাপ্তিৰ প্ৰাচুৰ্যৰে পূৰ্ণ আছিল। কেইবাবাৰো ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰাৰ উপৰি সংগীত অকাডেমি বঁটাপ্ৰাপক গিৰীশ কাৰ্ণাডে ১৯৭৪ চনত পদ্মশ্ৰী, ১৯৯২ চনত পদ্মভূষণ আৰু ১৯৯৮ চনত জ্ঞানপীঠ বঁটাৰে সন্মানিত হোৱা এগৰাকী মহান ভাৰতীয়। তেওঁৰ মৃত্যু ভাৰতীয় সাহিত্য-সংস্কৃতিৰ এক বিশেষ ক্ষতি বুলি আমি সকলোৱে একমুখে স্বীকাৰ কৰিব লাগিব। ❖

## প্ৰখ্যাত সাহিত্যিক

# ওৰহান পামুক

■ **গোপেন বৰ্মন**

**টোকা :**

**আধুনিকতাবাদ** (Modernism) : ঊনবিংশ শতিকাৰ শেষৰফালে আৰু বিংশ শতিকাৰ প্ৰথমভাগত বিশেষকৈ ইউৰোপ আৰু উত্তৰ আমেৰিকাত আৰম্ভ হোৱা সাহিত্যৰ ধাৰা। এই ধাৰাৰ লিখকসকলে পৰম্পৰাগত ধাৰাসমূহৰ সলনি নতুন ধাৰা আৰু দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ লৈছিল।

**উত্তৰ আধুনিকতাবাদ** (Post modernism) দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আৰম্ভ হোৱা সাহিত্যৰ এক ধাৰা। এনে ধৰণৰ সাহিত্যত ব্যাখ্যা বা বৰ্ণনাত বহু বিভাজন, বিমূৰ্ত ধাৰণা আদি পৰিলক্ষিত হয়।

**বাস্তৱবাদ** (Realism) : ঊনবিংশ শতিকাৰ মাজভাগত ফৰাচী আৰু ৰাছিয়াৰ সাহিত্যত প্ৰকাশ হোৱা এক ধাৰা। বাস্তৱবাদী সাহিত্যত কোনো ৰহণ নিদিয়াকৈ বিষয়বস্তুসমূহ স্পষ্ট ৰূপত উপস্থাপন কৰা হয়।

**ৰহস্যবাদ** (Magic Realism) : ই এনে এক সাহিত্যৰ ধাৰা যিয়ে আধুনিক বাস্তৱ পৃথিৱীৰ স্পষ্ট প্ৰতিফলন কৰি তাৰ লগত ৰহস্য যোগ দি এক অনন্য শৈলীৰ সৃষ্টি কৰে। এই ধাৰাত সাধাৰণ কথা বা কাম এটিত ৰহস্য বা অলৌকিক চিন্তাৰ সংমিশ্ৰণ ঘটে।

**চুফী-অধিবিদ্যা** : ই ইছলাম ধৰ্মৰ এক আদৰ্শ বা দৰ্শন। এই দৰ্শনে ঈশ্বৰ প্ৰেম, জ্ঞান, ঐশ্বৰিক ভাৱনাৰ উপলব্ধিকে আদি কৰি বিভিন্ন বিষয় সামৰি লয়।

ফেৰিট ওৰহান পামুক (Ferit Orhan Pamuk) বা চমুকৈ ওৰহান পামুক হ'ল তুৰস্কৰ সবাতোকৈ জনপ্ৰিয় লিখক। তেওঁৰ জন্ম হৈছিল ১৯৫২ চনত ইষ্টানবুলৰ এটা আঢ্যৱন্ত পৰিয়ালত। ৰবাৰ্ট কলেজ মাধ্যমিক বিদ্যালয়ৰপৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰা পামুকে পৰৱৰ্তী সময়ত ইষ্টানবুল টেক্‌নিকেল বিশ্ববিদ্যালয়লৈ (Istanbul Technical University) ভাস্কৰ্যবিদ্যা শিকিবলৈ যায়। পিছলৈ তেওঁ ইষ্টানবুল বিশ্ববিদ্যালয়ৰপৰা সাংবাদিকতাৰ ডিগ্ৰী গ্ৰহণ কৰি লেখা-মেলা কৰিবলৈ লয়।



ওৰহান পামুকে ১৯৭৪ চনৰপৰা লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ প্ৰথম উপন্যাস ডাৰ্কনেছ এণ্ড লাইট (Darkness and Light)। এইখন উপন্যাস পিছলৈ ১৯৮২ চনত মিষ্টাৰ চেভডেল এণ্ড হিজ চানছ (Mr Cevdel and his Sons) নামেৰে প্ৰকাশিত হয় আৰু উপন্যাসখনে ১৯৮৩ চনৰ ওৰহান কেমাল ন'ভেল প্ৰাইজ (Orhan Kemal Novel Prize) পাবলৈ সক্ষম হয়। লাহে লাহে সমগ্ৰ বিশ্বতেই পামুক এজন উত্তৰ আধুনিকতাবাদী লিখক হিচাপে পৰিচিত হৈ পৰে। 'দ্য নিউয়ৰ্ক টাইমছ বুক ৰিভিউত' পামুকৰ বিষয়ে এনেদৰে প্ৰকাশ পাইছিল 'পূবৰফালে এটা নতুন নক্ষত্ৰৰ উদয় হৈছে—নাম ওৰহান পামুক'।

১৯৮৫ চনত প্ৰকাশিত 'দ্য হোৱাইট কেছল' (The White Castle) উপন্যাসখনে পামুকক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰে। পিছলৈ তেওঁৰ উপন্যাসসমূহ যেনে—'দ্য ব্লেক বুক' (The Black Book), 'দ্য নিউ লাইফ' (The New Life), 'মাই নেম ইজ ৰেড' (My Name is Red), 'স্নো' (Snow), 'দ্য মিউজিয়াম অব ইনোচেন্ছ' (The Museum of Innocence) আদিয়ে পামুকক উত্তৰ আধুনিকতাবাদী সাহিত্যৰ এজন অগ্ৰণী ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা কৰে।

ওৰহান পামুকৰ উপন্যাসসমূহত বিশেষভাৱে পৰিস্ফুট বিষয়টো হ'ল প্ৰাচ্য আৰু পাশ্চাত্যৰ সংস্কৃতিৰ সংঘাতৰ ফলত সৃষ্টি হোৱা পৰিচয়হীনতা। তেওঁৰ উপন্যাসসমূহত জটিল পটভূমি আৰু জটিল চৰিত্ৰ দেখা পোৱাৰ লগতে পৰম্পৰা আৰু আধুনিকতাৰ মাজত গভীৰ সংঘাত পৰিলক্ষিত হয়। তেওঁ নিজকে প্ৰাচ্য আৰু পাশ্চাত্যৰ সম্বন্ধৰ ব্যাখ্যাকৰ্তা হিচাপে গণ্য কৰে আৰু এই দুয়োখন পৃথিৱীৰ সাঁকো বুলি নিজকে পৰিচয় দিয়ে। উল্লেখনীয় যে তেওঁৰ উপন্যাসবোৰত ঘাইকৈ ইতিহাস, স্মৃতিকথা, মানৱীয় প্ৰমূল্যবোধ আদি বিষয় স্পষ্ট ৰূপত প্ৰতিফলিত হয়।

ওৰহান পামুক হ'ল সাহিত্যৰ ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হোৱা প্ৰথমজন তুৰ্কী সাহিত্যিক। তেওঁৰ উপন্যাসবোৰৰ ভাষা সাৱলীল আৰু সুন্দৰ। তেওঁৰ উপন্যাসসমূহত বাস্তববাদৰপৰা আধুনিকতাবাদ, চুফী-অধিবিদ্যাৰপৰা উত্তৰ আধুনিকতাবাদলৈ বিভিন্ন ধাৰা দেখা যায়। উত্তৰ আধুনিকতাবাদ আৰু ৰহস্যবাদৰ মিশ্ৰণেৰে তেওঁ তুৰ্কী উপন্যাসৰ ধাৰাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। বৰ্তমান সময়ত পামুকক জেমছ জোয়ছ (James Joyce), গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ (Gabriel Garcia Marques) আৰু জৰ্জ লুই বৰহেজ (George Luiz Borges) আদি বৰেণ্য লেখকসকলৰ সৈতে তুলনা কৰা হয়। ❖

## ২০১৯ বৰ্ষৰ জুন মাহত বিদ্যালয়ৰ পুথিভঁৰালত সংযোজিত হোৱা কিতাপৰ তালিকা

**(তালিকাত কিতাপসমূহৰ বিষয়ে 'কিতাপৰ নাম/লিখকৰ নাম/প্ৰকাশক/বিষয়/কিতাপৰ সংখ্যা' —এই অনুক্ৰমত উল্লেখ কৰা হৈছে।)**

- **New Guided English for India (BookII, III, IV)**/D.H. Howe/Oxford University Press/ English Grammar and Composition/০১
- **মনন**/ভৱেন বৰা/বনফুল প্ৰকাশন/প্ৰবন্ধ/০১
- **Teach yourself Russian**/Maximilian Fourman/The English University Press Ltd./ Language/০১

# দক্ষিণ কামৰূপৰ ৰাভাসকলৰ চমু আভাস

■ **ৰঘুনাথ কুমাৰ**



অসমত বাস কৰা ৰাভাসকল জনজাতীয় বড়ো গোষ্ঠীৰে এটি অন্যতম ঠাল বুলি কোৱা হয়। এই গোষ্ঠীৰ আন আন লোকসকল ঘাইকৈ গাৰো, কছাৰী, লালুং, মেচ আদি। এইসকল বড়ো গোষ্ঠীৰ মানুহ ক'ৰপৰা কেতিয়া আহি অসমত বাস কৰিবলৈ ল'লে সঠিককৈ জানিব পৰা নাযায়। সেইবাবে ৰাভাসকলৰ ক্ষেত্ৰতো মতভেদ দেখিবলৈ পোৱা যায়।

সাধাৰণতে নামনি অসমৰ ৰাভাসকলক গাৰোসকলৰ প্ৰশাখা আৰু কামৰূপ তথা দৰঙৰ ৰাভাসকলক কছাৰী বুলি অনুমান কৰা হয়। ৰাভা জাতিৰ আঁতি-গুৰি সম্বন্ধে ড° ভূবন মোহন দাসে কৈছে যে মঙ্গোলীয় জাতিৰ লোক উত্তৰ আৰু উত্তৰ-পশ্চিম অঞ্চলৰপৰা বেলেগে বেলেগে আহি অসমত থিতাপি লৈছিল। তেওঁলোক অসমৰ আদিবাসী। অষ্ট্ৰেলয়দসকলৰপৰা ৰাভা, গাৰো আদি জাতিৰ সৃষ্টি হৈছিল। তেখেতৰ মতে ৰাভাসকল হ'ল নিজস্ব ঐতিহ্য, কৃষ্টি, বৈশিষ্ট্য, বিশ্বাস, আখ্যান-উপাখ্যানেৰে পৰিপুষ্ট এটা পৃথক জাতি।

বৰ্তমান অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু মেঘালয়ৰ গাৰো পাহাৰত ৰাভাসকলৰ বসতি দেখিবলৈ পোৱা যায়। ৰাভাসকলৰ কেইবাটাও ভাগ আছে। যেনে, ৰংদানী, পাতি, মাইটৰীয়া, বিটলীয়া, হানা, চোঙা, টোটলা, দহৰী, মদাহী, কোচ্ছা আদি।

দক্ষিণ কামৰূপৰ বিস্তীৰ্ণ অঞ্চল আৰু দক্ষিণ গোৱালপাৰাৰ পূৰ্ব অঞ্চলৰপৰা দুধনৈলৈ পাতি ৰাভাসকলৰ বসতি, দুধনৈৰপৰা লক্ষীপুৰলৈ ৰংদানী তথা লক্ষীপুৰৰ দক্ষিণ-পশ্চিম অংশত মাইটৰী ৰাভাসকলৰ বসতি দেখিবলৈ পোৱা যায়।

হিন্দু ধৰ্মৰ নিচিনাকৈ ৰাভাসকলৰো কৰ্ম অনুযায়ী দল বা খেল আছে। ৰাভাসকলৰ আৰাধ্য দেৱতা খোক্‌চি বা বায়খো পূজাৰ কাম-কাজবোৰ পৰিচালনা কৰিবলৈ দল বা খেলৰ সৃষ্টি হৈছিল বুলি বিশ্বাস কৰা হয়। খোক্‌চি পূজাত দেৱতাৰ থাপনা পতা আৰু মানুহ বহাৰ কাৰণে শিল আদি কঢ়িয়াই অনা মানুহবোৰক ৰংদানী (ৰং-শিল, দান-কঢ়িয়াই অনা), ভোজনৰ বাবে দায়িত্বত থকাসকলক মায়টৰীয়া (মায়-ভাত, টৰীয়া-ভগাই দিয়া), ৰন্ধনশাললৈ অহা চৰাই-চিৰিকটি খেদিবলৈ ন্যস্ত কৰা মানুহক দাহৰী, পানীয় ল'বৰ বাবে বাঁহৰ চুঙা কাটি অনাসকলক পাতি, ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত ধেমেলীয়া কথা কৈ আনন্দৰ খোৰাক যোগোৱাসকলক বিটলীয়া আৰু ৰাভা জাতিৰ আদি পুৰুষ কোচ্ছেৰ পৰাই শেষত 'কোচ্চ' নামৰ এটা ফৈদ হোৱা বুলি কোৱা হয়।

**বাৰ মাহাৰী :** ৰাভাসকলৰ মাজত বহুতো ফৈদ বা গোত্ৰ আছে। এই গোত্ৰসমূহক মাহাৰী বুলি কোৱা হয়। বিশেষকৈ পাতিৰাভাসকলে তেওঁলোকৰ উপঠালক মাহাৰী বোলে। অইন শ্ৰেণীৰ ৰাভাসকলৰ মাজতো বহুতো গোত্ৰ চলি আহিছে। এই গোত্ৰসমূহক বাৰায় বোলে।

দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ মাজত বিচাৰি পোৱা প্ৰধান বাৰটা মাহাৰী হ'ল—চুং, চিনাল, নাফা, নংদো, কছু, ডাৰু, ভিয়া, ডগম, ৰংৰং, ফাঠো, নংবাগ আৰু ডবাখল। ইহঁতক একেলগে বাৰ মাহাৰী বোলে।

ৰাভাসকলৰ সামাজিক বান্ধোন মতে একে মাহাৰীত বিবাহ নিষেধ। বিয়াৰ নিশা দৰা-কইনাৰ বাপেক দুজনে নিজ নিজ মাহাৰীৰ পৰিচয় দিব লাগে। তাৰ পিছতহে একে মাহাৰীৰ নহ'লে বিবাহ সম্পন্ন হয়।

ৰাভাসকলৰ গোত্ৰ মাতৃভিত্তিক, অৰ্থাৎ মাকৰপৰাহে গোত্ৰ নিৰ্ণয় কৰা হয়। কিন্তু এওঁলোকৰ সমাজ ব্যৱস্থা পিতৃ প্ৰধানহে, মাতৃ প্ৰধান নহয়। ❖

# চেংগিজ খাঁৰ সমাধিস্থলী—আজিও এক ৰহস্য

■ জাহ্নৱী বৰুৱা




ইতিহাসৰ পাতত আটাইতকৈ বৰ্বৰ আৰু নৃশংস ৰজাৰ তালিকাত চেংগিজ খাঁৰ স্থান সদায় ওপৰত। মংগোল সাম্ৰাজ্যৰ প্ৰসাৰ তেওঁৰ একমাত্ৰ লক্ষ্য আছিল। ত্ৰয়োদশ শতিকাৰপৰা চতুৰ্দশ শতিকাৰ ভিতৰত মংগোল সাম্ৰাজ্য মধ্য এছিয়াৰপৰা আৰম্ভ হৈ পশ্চিমে ইউৰোপ, পূবে জাপান সাগৰলৈ, উত্তৰে ছাইবেৰিয়া আৰু দক্ষিণে ভাৰত উপমহাদ্বীপলৈ বিস্তৃত হৈ এক বিশাল ৰূপ ধাৰণ কৰিছিল। জীৱনৰ প্ৰতিখন যুদ্ধত জয়ী হোৱা অদ্বিতীয়, অপ্ৰতিৰোধ্য চেংগিজ খাঁৰ মৃত্যু হয় ১২২৭ চনৰ ১৮ আগষ্টত। চেংগিজ খাঁৰ মৃত্যুৰ কাৰণ সঠিককৈ জনা নাযায়, ঠিক সেইদৰে মৃত্যুৰ পিছত তেওঁক সৎকাৰ কৰি ক'ত সমাধিস্থ কৰা হৈছিল সেইটোও সমগ্ৰ বিশ্বৰ বাবে এক সাঁথৰ।

মৃত্যুৰ পিছত চেংগিজ খাঁক অজ্ঞাত স্থানত গোপনে সমাধিস্থ কৰাৰ আদেশ স্বয়ং চেংগিজ খাঁৰ আছিল। এইটো তেওঁলোকৰ এক পৰম্পৰা বুলিও ক'ব পাৰি। সেইবাবেই মংগোল বংশ সম্বন্ধীয় যিমানবোৰ গ্ৰন্থ বা লেখা আছে তাত তেওঁলোকৰ শাসকসকলক ক'ত সমাধিস্থ কৰা হৈছিল তাৰ কোনো স্পষ্ট উল্লেখ নাই। অৱশ্যে চেংগিজ খাঁৰ সমাধিৰ সন্ধান কৰোঁতে তেওঁৰ বংশৰ কিছুমানৰ সমাধি বিচাৰি পোৱা গৈছে। কিন্তু চেংগিজ খাঁৰ সমাধিৰ স্থান আজিও এক ৰহস্য। পুৰাতত্ত্ববিদ মাওৰি ক্ৰেটৰিটজে (Maury Kratvits) ৪০ বছৰ ধৰি চেংগিজ খাঁৰ সমাধিৰ সন্ধান কৰিও কোনো সঠিক উত্তৰ পাবলৈ সক্ষম নহ'ল। বিশ্বৰ ইতিহাসবিদ, পুৰাতত্ত্ববিদসকলৰ বাবে সেইবাবে এয়া এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ। বহুতো গৱেষক, পুৰাতত্ত্ববিদে ক'ব বিচাৰে যে চেংগিজ খাঁৰ সমাধি বিচাৰি নোপোৱাৰ অন্যতম কাৰণ হ'ল মংগোলীয় চৰকাৰৰ হস্তক্ষেপ। তদুপৰি কিছুমান সম্ভাব্য স্থানত জনবসতিৰ বাবে খনন কাৰ্য চলোৱা সম্ভৱপৰ নহয়।

চেংগিজ খাঁৰ সমাধিয়ে পুৰাতত্ত্ববিদসকলক আকৰ্ষণ কৰাৰ মূলতেই হ'ল ইয়াৰ গোপনীয়তা। এটা সময়ত পৃথিৱীৰ প্ৰায় আধা অংশ জয় কৰা বৰ্বৰ অথচ দূৰদৰ্শী চেংগিজ খাঁৰ সমাধিক কেন্দ্ৰ কৰি বহুতো লোককথা প্ৰচলিত আছে। চেংগিজ খাঁই বিশ্বাস কৰিছিল যে তেওঁৰ মৃতদেহ অন্য কাৰোবাৰ হাতত পৰিলে মংগোল সাম্ৰাজ্যৰ পতন নিশ্চিত আৰু সেইবাবেই তেওঁ বিশেষভাৱে বিচাৰিছিল যাতে তেওঁৰ সমাধিস্থান সকলোৰে বাবে গোপন হৈ ৰয়। এক সূত্ৰ অনুসৰি প্ৰায় ৩০,০০০ লোক চেংগিজ খাঁনৰ সৎকাৰত উপস্থিত আছিল। চেংগিজ খাঁৰ সৈন্যদলে সৎকাৰ পৰ্ব শেষ হোৱাৰ লগে লগে সেই ৩০,০০০ লোকক বধ কৰে। সৈন্য দলটোক আকৌ চেংগিজ খাঁৰ অনুৰক্ষক (escort) দলটিয়ে হত্যা কৰি মৃতদেহটো সমাধিস্থললৈ লৈ যায়। সেই সময়ত তেওঁলোকৰ ৰাস্তাত অহা মানুহ, জীৱ-জন্তু সকলোকেই তেওঁলোকে মাৰি-কাটি আগুৱাই গৈ থাকে আৰু সমাধিস্থ কৰাৰ পাছত সহায়কাৰী হিচাপে যিকেইজন শ্ৰমিক গৈছিল তেওঁলোককো মাৰি পেলায়। একেবাৰে শেষত তেওঁলোক আটায়ে আত্মহনন কৰে যাতে চেংগিজ খাঁৰ সমাধিস্থলৰ গোপনীয়তা কেতিয়াও ফাদিল নহয়। অন্য এক প্ৰচলিত লোককথা অনুসৰি চেংগিজ খাঁক সমাধিস্থ কৰাৰ পাছত এখন নদীৰ সুঁতি সলনি কৰি সমাধিৰ ওপৰেদি বৈ যাবলৈ দিয়া হৈছিল যাতে সমাধিৰ স্থান বিচাৰি পোৱাটো অসম্ভৱ হৈ পৰে। আকৌ অন্য এক সূত্ৰ অনুসৰি সমাধিস্থ কৰাৰ পাছত সেই স্থানত হাজাৰটা ঘোঁৰা দৌৰিবলৈ দিয়া হৈছিল আৰু পিছত সেই স্থানত গছপুলি ৰোপণ কৰা হৈছিল। ❖

# ফ'ল্ডস্ক'প মাইক্ৰ'স্ক'প

■ সুজিৎ কুমাৰ নেওগ




বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত বিনামূলীয়া আৰু কম খৰচী সামগ্ৰীৰে পৰীক্ষা-নিৰীক্ষা কৰাৰ পদ্ধতি আমাৰ দেশত আজিৰপৰা বহু সময়ৰ আগৰেপৰা প্ৰচলিত। ভাৰতত ১৯৮০ চনমানৰপৰা চৰকাৰৰ ফালৰপৰা কম খৰচী সঁজুলিৰ সহায়ত বিজ্ঞান শিক্ষা সম্পৰ্কীয় প্ৰশিক্ষণ, কৰ্মশালা, আলোচনা চক্ৰ আদিৰ আয়োজন কৰি অহা হৈছে। কম খৰচী বিজ্ঞান সঁজুলি প্ৰস্তুত কৰাৰ এটা বিশেষ পদ্ধতি হ'ল 'অৰিগেমি' (Origami)। এইটো এটা জাপানী শব্দ। 'অৰি'ৰ (Ori) অৰ্থ হ'ল 'ভাঁজ কৰা' আৰু 'গেমি'ৰ (gami) অৰ্থ হ'ল 'কাগজ'। এই পদ্ধতিত কাগজ ভাঁজ কৰি বিভিন্ন সঁজুলি তৈয়াৰ কৰা হয়। অৰিগেমি পদ্ধতিৰে তৈয়াৰী এনে এক সঁজুলিৰ নাম হৈছে ফ'ল্ডস্ক'প (Foldscope) অণুবীক্ষণ। ২০১৪ চনত মনু প্ৰকাশ নামৰ এজন ব্যক্তিয়ে ফ'ল্ডস্ক'প অণুবীক্ষণৰ প্ৰথমটো আৰ্হি তৈয়াৰ কৰে। মনু প্ৰকাশ হৈছে ষ্টেনফৰ্ড স্কুল অব্ মেডিচিনৰ (Stanford School of Medicine) বায়'ইঞ্জিনিয়াৰিং (Bioengineering) বিভাগৰ সহযোগী অধ্যাপক।

ফ'ল্ডস্ক'প অণুবীক্ষণ হৈছে অৰিগেমি পদ্ধতিৰে নিৰ্মিত এটা সৰল অণুবীক্ষণ যন্ত্ৰ। ইয়াক তৈয়াৰ কৰাৰ পদ্ধতি অতি সহজ আৰু কম খৰচী। এটা ফ'ল্ডস্ক'প অণুবীক্ষণ তৈয়াৰ কৰোঁতে এশ টকাতকৈও কম খৰচ হয়। এটা সৰু ঘড়ীৰ বেটাৰী, এটা সৰু এল ই ডি (LED) আৰু এখন সৰু পাতল কাৰ্ডব'ৰ্ডৰ সহায়তেই ইয়াক তৈয়াৰ কৰিব পৰা যায়। কাৰ্ডব'ৰ্ডখন কিছুমান বিশেষ খাঁজত এনেদৰে কাটি লোৱা হয় যাতে ইয়াক নিৰ্দিষ্ট ভাঁজ দি তাত সৰু লেন্স এখন সঠিক স্থানত ভালদৰে স্থাপন কৰিব পাৰি। লেন্সখন এনেদৰে স্থাপন কৰা হয় যাতে পোনপটীয়াকৈ ইয়াক স্পৰ্শ নকৰাকৈয়ে বিশেষ ভাঁজৰ দ্বাৰা প্ৰয়োজন সাপেক্ষে তল-ওপৰ বা চাৰিওফালে সহজতেই ঘূৰাব পাৰি। লগতে লেন্সখনৰ তলতে থকা নিৰীক্ষণ শ্লাইডখনৰ প্ৰতিটো অংশ বিৱৰ্ধনৰ বিভিন্ন মাত্ৰাত ভালদৰে নিৰীক্ষণ কৰিব পাৰি। এটা ফ'ল্ডস্ক'প অণুবীক্ষণৰ ওজন প্ৰায় ৮ গ্ৰাম। ইয়াক বিৱৰ্ধন ক্ষমতা প্ৰায় ১৪০ গুণৰপৰা ২০০০ গুণ পৰ্যন্ত হোৱাকৈ তৈয়াৰ কৰিব পাৰি। ফ'ল্ডস্ক'প অণুবীক্ষণ যন্ত্ৰৰ আৰ্হিৰ ছবিখন কাগজত আঁকি প্ৰায় ১০ মিনিটৰ ভিতৰতে ইয়াক প্ৰস্তুত কৰি উলিয়াব পাৰি। ফ'ল্ডস্ক'পৰ লেন্সখনৰ লগত ম'বাইল ফ'নৰ কেমেৰাটো সংযোগ কৰি দিলে ম'বাইলৰ পৰ্দাত শ্লাইডত থকা বস্তুৰ বিবৰ্ধিত প্ৰতিবিম্বৰ ছবি দেখা যায়। ইয়াৰ বিবৰ্ধন ক্ষমতা অতি বেছি। ইয়াৰ সহায়ত অতি ক্ষুদ্ৰ জীৱকো নিৰীক্ষণ কৰিব পৰা যায়। আনকি কিছুমান বেমাৰৰ বীজাণু চিনাক্ত কৰাতো ই সহায় কৰিবলৈ সক্ষম হৈছে।

কম খৰচ আৰু ব্যৱহাৰৰ বহুমুখিতাৰ বাবে সম্প্ৰতি ইয়াৰ ব্যৱহাৰ আৰু উপযোগিতা সাৰ্থক কৰিবলৈ বিভিন্ন ধৰণৰ প্ৰচেষ্টা চলোৱা হৈছে। লগতে এই অণুবীক্ষণ যন্ত্ৰটো স্কুল-কলেজ আদিৰ দৰে শিক্ষা প্ৰতিষ্ঠান, বিভিন্ন সংগঠন আদিলৈও যোগান ধৰা হৈছে যাতে পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজৰ মাজত বিজ্ঞান শিক্ষা সম্পৰ্কে সজাগতা সৃষ্টি কৰিব পাৰি। চিকিৎসা বিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰখনত ইয়াৰ ব্যৱহাৰ আৰু উপযোগিতালৈ লক্ষ্য ৰাখি বৰ্তমান সময়ত ফ'ল্ডস্ক'প অণুবীক্ষণ যন্ত্ৰক বিজ্ঞান জগতৰ অতি প্ৰয়োজনীয় সঁজুলি হিচাপে গণ্য কৰা হৈছে। ❖

# কাজু বাদামৰ কথা

■ ডলী চৌধুৰী

কাজু গছ হৈছে এবিধ চিৰসেউজ উদ্ভিদ। এই উদ্ভিদৰপৰা আমি দুবিধ উপাদেয় লাভ কৰোঁ। এবিধ হৈছে ইয়াৰ গুটিটো আৰু আনবিধ হৈছে ফলটো। ফলটোৰ ইংৰাজী নাম হৈছে কেশ্ব এপ'ল (Cashew apple) আনহাতে গুটিটোৰ ইংৰাজী নাম কেশ্ব নাট (Cashew nut) যাক আমি কাজুবাদাম নামেৰে সকলোৱে জানো। উল্লেখনীয় কথাটো হৈছে, কাজু গছৰ ফলটো আন সকলো ফলতকৈ পৃথক এইখিনিতেই যে ইয়াৰ গুটিটো ফলটোৰ বাহিৰতহে লাগি থাকে। ফলটোৰ সোৱাদ বৰ মিঠা। ই খাবলৈ অলপ আম, অলপ কাজু বাদামটোৰ দৰে আৰু অলপ মৌচন্বীৰ নিচিনা। ইয়াৰ ভিতৰখন বৰ মঙহাল আৰু ইতিমধ্যে উল্লেখ কৰা ধৰণে গুটিবিহীন। ইয়াক কেঁচাই খাব পাৰি আৰু সিজায়ো খাব পাৰি।



পিছে এই ফলবিধ বৰ সোনকালে নষ্ট হয়। উদ্ভিদ বিজ্ঞানীসকলে কাজু ফলটোক 'মিছা ফল' (false fruit) বা গৌণ ফল (accessory fruit) বুলি কয়। ফলটো দেখিবলৈ নাচপতিটোৰ দৰে আৰু ইয়াৰ ৰং ৰঙা বা হালধীয়া হয়।

এতিয়া আহোঁ আমাৰ অতি প্ৰিয় কাজু বাদামটোৰ প্ৰসংগলৈ। কাজু গছৰ ফলটোৰ তলতেই এটা অতি টান খোলাৰ ভিতৰত আমি খোৱা কাজু বাদামটো সোমাই থাকে। এই খোলাটোত এবিধ বিষাক্ত তেলজাতীয় পদাৰ্থ থাকে। ইয়াক স্পৰ্শ কৰিলে ছালত এবিধ বিশেষ ৰোগে দেখা দিয়ে। সেয়েহে আন বাদামৰ লেখীয়াকৈ ইয়াক খোলাৰ সৈতে বজাৰত মুকলি কৰি দিয়া নহয়। খোলাৰে সৈতে বাদামবিলাক সংগ্ৰহ কৰি একেলগে তপতোৱা হয়। এনে কৰিলে খোলাটো ঠুনুকা হয় আৰু ফলস্বৰূপে ইয়াৰ ভিতৰত থকা শাহটো (Kernal) খোলাৰ ভিতৰভাগৰপৰা এৰাই আহে। পিছত তপত বাদামটোৰ বাকলি এডাল মাৰিৰে কোবাই কোবাই ভঙা হয়। এই খোলাবিলাকৰপৰা পিছত ছালৰ ক্ষতি কৰিব পৰা তেলজাতীয় পদাৰ্থবিধ আঁতৰোৱা হয়। শাহটো উলিওৱাৰ পিছত ভালদৰে শুকুওৱা হয় যাতে ইয়াৰ গাত লাগি থকা ৰঙা বৰণৰ পাতল ছালখন এৰুৱাবলৈ সহজ হয়। এইদৰে খোৱাৰ উপযোগী কৰি লোৱাৰ পিছত বাদামবিলাক আকাৰ অনুযায়ী ভাগ ভাগ কৰি বজাৰত মুকলি কৰি দিয়া হয়। বিশ্বজুৰি কাজুৰ উৎপাদনৰ সিংহভাগ আহে ভিয়েটনাম, ভাৰতবৰ্ষ আৰু পশ্চিম আফ্ৰিকাৰ আইভৰি ক'ষ্টত।

কাজু বাদামৰ খাদ্যগুণ বহুত। ইয়াত প্ৰ'টিন, ভিটামিন-এ, ভিটামিন-বি$^{১২}$, ভিটামিন-চি, ভিটামিন-ডি, ভিটামিন-ই, ভিটামিন কে আদিৰ উপৰি বিভিন্ন খনিজ পদাৰ্থ, চৰ্বি, শৰ্কৰা আদিও থাকে। অৱশ্যে বিশ্বৰ প্ৰায় শতকৰা ৬ ভাগ মানুহৰ হেনো কাজুৰপৰা এলাৰ্জিও হয়। কাজু সংগ্ৰহৰ সময়ত সৰু সৰু টুকুৰা হৈ যোৱা কাজু বাদামৰপৰা ডাঠ হালধীয়া ৰঙৰ তেল চেপি উলিওৱা হয়। ৰন্ধা খাদ্য বা চালাডৰ ওপৰত দিবলৈ এই তেল ব্যৱহাৰ কৰা হয়। তদুপৰি কাজু বাদামৰ খোলাৰপৰা সংগ্ৰহ কৰা তেল দৰব, ভেকুৰনাশক আৰু আন জাৰণ প্ৰতিৰোধী দ্ৰব্য (antioxident) আদি প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা হয়।

আমি সকলোৱে জানো যে ভাৰতীয় খাদ্যত কাজুৰ প্ৰয়োগ লক্ষণীয়। ইয়াৰ নিয়ন্ত্ৰিত ভক্ষণে আমাৰ হৃদপিণ্ড, চকু, তেজ, ছাল আদি কাৰ্যক্ষম কৰি ৰাখে। ❖

# পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা

## পুথিৰ নাম : The Day I Stopped Drinking Milk



**লিখক :**
**সূধা মূৰ্তি**
**প্ৰকাশক :**
**পেংগুইন ৰেণ্ডম**
**মূল্য : ২৫০.০০ টকা**
**প্ৰথম প্ৰকাশ : ২০১২**

কিতাপখনত মুঠ ২৩টা গল্প আছে। মোৰ আটাইতকৈ পঢ়ি ভাল লগা গল্পটো হৈছে ‘বম্বে টু বাংগালোৰ’। এই গল্পটোৰ মূল চৰিত্ৰ হৈছে চিত্ৰা নামৰ ছোৱালীজনী।

এই চিত্ৰা নামৰ ছোৱালীজনী জন্ম হোৱাৰ কেইদিনমান পাছত তাইৰ মাক ঢুকাইছিল। তাৰ পিছত দেউতাকে দ্বিতীয় এগৰাকীক বিয়া কৰায়। দেউতাক ঘৰত নথকা সময়ছোৱাত মাহীমাকে চিত্ৰাক অত্যাচাৰ কৰে আৰু এদিন তেওঁ দেউতাক নথকাৰ সুযোগ লৈ চিত্ৰাক ঘৰৰপৰা বাহিৰ কৰি দিলে। তাৰ পিছত চিত্ৰাই অনাই-বনাই ঘূৰি-ফুৰি টিকট অবিহনে ট্ৰেইন এখনত উঠিল। সেই ট্ৰেইনখনতে আকৌ এজন অতি সাধু আৰু দয়ালু মানুহ উঠিল আৰু তাই বহি থকা চিটটোৰ কাষতে বহিল। টিকট নিৰীক্ষকে চিত্ৰাৰ টিকট নথকা বুলি গম পাই তাইক ট্ৰেইনৰপৰা বাহিৰ কৰি দিব খুজিছিল কিন্তু সেই মানুহজনে চিত্ৰাৰ টিকটৰ পইছাখিনি দিলে। তাৰ পিছত মানুহজনে যেতিয়া বেংগালুৰু পালে তেতিয়া তেওঁ ষ্টেছনত নমাৰ লগে লগে ছোৱালীজনীয়ে উচুপি উচুপি কান্দি উঠিল। তেতিয়া মানুহজনে চিত্ৰাক লগত লৈ আহিল আৰু এখন অনাথ আশ্ৰমত থৈ আহিল। পিছত চিত্ৰাই সেই অনাথ-আশ্ৰমখনতে পঢ়ি-শুনি ডাঙৰ মানুহ হ’ল।

■ **মাধুৰ্য্য জয়ন্ত কলিতা**
অষ্টম শ্ৰেণী

## পুথিৰ নাম : অন্ধকাৰৰ শেষত



**লিখক :**
**অনন্ত কুমাৰ শৰ্মা**
**প্ৰকাশক :**
**অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ৭০.০০ টকা**
**প্ৰথম প্ৰকাশ : ২০১৪**

কিতাপখনৰ কাহিনীটোত প্ৰিতম আৰু ডুলে নামৰ দুজন ল’ৰাৰ দুঃসাহসিক প্ৰচেষ্টাত কেনেদৰে এখন বিশাল অপৰাধ জগত ধৰা পৰিল তাৰ বিষয়ে লিখা হৈছে। কাহিনীটোত কেইজনমান শিশু অপহৰণকাৰীয়ে প্ৰিতম আৰু ডুলেক ৰাস্তাৰপৰা অপহৰণ কৰি লৈ যায়। দুয়োজনক বিভিন্ন ঠাইলৈ লৈ যোৱা হয়। দুয়ো সেই ঠাইবোৰত সিহঁতৰ বয়সৰ অথবা ডাঙৰ-সৰু কিছুমান ল’ৰা-ছোৱালী দেখা পায়। সিহঁতৰ কিছুমানৰ হাত কটা, কিছুমানৰ ভৰি কটা আৰু কিছুমান অন্ধ। সেই শিশুবোৰক ৰাস্তাই ৰাস্তাই ভিক্ষা কৰিবলৈ পঠাই দিয়া হয়। সেই শিশুবোৰৰ সৈতে প্ৰিতম আৰু ডুলেকো মাৰ-কিল কৰা হয়। এনে এক পৰিস্থিতিৰ মাজতো প্ৰিতম আৰু ডুলেই হাৰ নামানি উপস্থিত বুদ্ধিৰে আৰক্ষীৰ লগত যোগাযোগ কৰিছিল আৰু শিশু অপহৰণকাৰী দলটোক ধৰা পেলাইছিল। লগতে সেই হাজাৰ হাজাৰ নিষ্পেষিত শিশুক উদ্ধাৰ কৰিছিল। নিজৰ জীৱনকো বিপদত পেলাই প্ৰিতম আৰু ডুলেয়ে তেওঁলোকৰ অভিযান সফল কৰিছিল।

ইয়াৰপৰা এটা কথা শিকিবলৈ পালোঁ যে পৰিস্থিতি যিমানেই দুৰ্যোগময় নহওক কিয় আমি হতাশ নহৈ তাৰ সমাধান উলিয়াবলৈ যত্ন কৰিব লাগে।

■ **শাব্দী ভৰদ্বাজ**
সপ্তম শ্ৰেণী

# কামি ৰিতা

■ পল্লৱী গোস্বামী



মানৱ মনৰ অন্তহীন হাবিয়াসে আকাশ চুবলৈ প্ৰয়াস কৰে। সপোনবোৰ বাস্তৱায়িত কৰিবলৈ মানুহ নিৰন্তৰ সাধনাত ব্ৰতী হয়। ফলশ্ৰুতিত মানুহে অসাধ্য সাধন কৰে। এনে বহু লোকৰ উদাহৰণ আমি পাই থাকোঁ, যিয়ে মানসিক উদ্যম আৰু কঠোৰ শ্ৰমৰ বলত জীৱনৰ জয়গান গাই আহিছে। তেনেকুৱা এগৰাকী ব্যক্তি হৈছে কামি ৰিতা।

কামি ৰিতা হৈছে এগৰাকী নেপালী শেৰ্পা গাইড। তেওঁ বিশ্বৰ সৰ্বোচ্চ পৰ্বতশৃংগ মাউণ্ট এভাৰেষ্ট (উচ্চতা-৮,৮৫০ মি) আৰোহণকাৰীৰ গাইড হিচাপে কৰ্মৰত। তেওঁ হৈছে বৰ্তমানলৈ বিশ্বৰ সৰ্বাধিকবাৰ মাউণ্ট এভাৰেষ্ট আৰোহণকাৰী ব্যক্তি। ২০১৯ চনৰ ২১ মে' তাৰিখলৈ তেওঁ ২৪ বাৰ এভাৰেষ্ট শৃঙ্গ আৰোহণ কৰি নিজৰেই পূৰ্বৰ অভিলেখ ভঙ্গ কৰে।

৪৯ বছৰীয়া এইগৰাকী শেৰ্পা গাইডৰ জন্ম হৈছিল নেপালৰ চলুখুম্বু (solukhumbu) জিলাৰ এখন সৰু গাঁৱত ১৯৭০ চনত। তেওঁলোকৰ দুখীয়া যৌথ পৰিয়ালটো এটা মাত্ৰ কোঠা থকা ঘৰত বাস কৰিছিল। বিশ্বৰ প্ৰথম এভাৰেষ্ট বিজয়ী টেনজিং নৰ্গেও সেই গাঁৱৰে বাসিন্দা আছিল। ১৯৫০ চনত যেতিয়া প্ৰথমবাৰৰ বাবে বিদেশী পৰ্বতাৰোহীক মাউণ্ট এভাৰেষ্ট আৰোহণৰ অনুমতি দিয়া হৈছিল, তেতিয়া কামি ৰিতাৰ পিতৃয়ে প্ৰথম 'প্ৰফেচনেল শেৰ্পা গাইড' (পৰ্বত আৰোহণকাৰীক বাট দেখুওৱা আৰু সহায় কৰা শেৰ্পা লোক) হিচাপে যোগদান কৰিছিল। কামিয়ে কৈশোৰ অৱস্থাত এজন বৌদ্ধ ভিক্ষু হিচাপে জীৱন-যাপন কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু পিছলৈ তেওঁ এই লক্ষ্য সলনি কৰে আৰু ১৯৯২ চনত হিমালয়ৰ বেচ কেম্পৰ ৰান্ধনি হিচাপে কৰ্মত যোগদান কৰে। লগতে তেওঁ এভাৰেষ্টৰ বেচ কেম্পলৈ বিভিন্ন সামগ্ৰী সৰবৰাহ কৰা কামতো নিয়োজিত হৈছিল। পৰৱৰ্তী সময়ত ১৯৯৪ চনত তেওঁ শেৰ্পা গাইড হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। তেওঁ মাউণ্ট এভাৰেষ্টৰ লগতে আন আন পৰ্বতশৃঙ্গ আৰোহণকাৰীসকলৰ গাইড হিচাপেও কাম কৰে। অৱসৰৰ পূৰ্বে ২৫ বাৰৰ বাবে মাউণ্ট এভাৰেষ্ট আৰোহণৰ লক্ষ্য স্থিৰ কৰা এইগৰাকী শেৰ্পা গাইডে বৰ্তমান প্ৰতিবাৰ পৰ্বতাৰোহণৰ বাবদ প্ৰায় সাত লাখ টকা আয় কৰে। দেশ-বিদেশৰ ডাঙৰ ডাঙৰ পৰ্বতাৰোহণ সংস্থাৰ তেওঁ গাইড হিচাপে কাম কৰিও খ্যাতি অৰ্জন কৰিছে। ❖

**যোৱা সংখ্যা (ষষ্ঠ বছৰ, পঞ্চম সংখ্যা, জুন, ২০১৯)ৰ শব্দ শিকো শিতানত**
**হোৱা বানানৰ ভুলৰ শুধৰণি**
জলহস্তী : Hippopotamus, নেউল : Mongoose.



কাজু বাদাম



গিরীশ কার্ণাড




কামি রীতা



বগীজামু



নুনি



পকমৌ